সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩২ বছৰ, ২৬সংখ্যা, ১৩ আহাৰ, ৰবিবাৰ,১৪৩৩ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 26 Date of Publication- 28 June 2026 Rs. 10.00/-

## যিমানেই পলিয়েষ্টাৰ কমাই দিয়া হ'ব সিমানেই পুঁজি বেছি লাগিবঃ শিক্ষামন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ চৰকাৰী বিদ্যালয়সমূহত চৰকাৰে যোগান ধৰা ৬৭ -৭০ শতাংশ পলিয়েষ্টাৰ মিহলি ইউনিফৰ্মে বিশেষকৈ প্ৰাথমিক বিদ্যালয়ত অধ্যয়নৰত লাখ লাখ শিক্ষাৰ্থীৰ স্বাস্থ্যৰ প্ৰতি ভাবুকি নমাই অনা বিষয়টোৱে অভিভাৱক আৰু সচেতন মহলক উদ্বিগ্ন কৰি ৰখাৰ সময়তে ইয়াৰ সমিধান বিচাৰি সাংবাদিকে শিক্ষা মন্ত্ৰীগৰাকীক কৰা প্ৰশ্নৰ উদ্ভট উত্তৰ দি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু যে চৰকাৰী মাধ্যমৰ শিশুক লৈ মুঠেও দায়িত্বশীল নহয়, সেইকথা প্ৰতিপন্ন কৰিছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে শনিবাৰে শিৱসাগৰ বিশ্ববিদ্যালয় ভ্ৰমণ কৰে। তেওঁ বিশ্ববিদ্যালয়খনৰ আন্তঃগাঁথনি উন্নয়ন সন্দৰ্ভত উপাচাৰ্য ড° মহাদেৱ পাটগিৰিৰ সৈতে আলোচনাত মিলিত হয়। বিশ্ববিদ্যালয়খনৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে বিগত সময়ছোৱাত প্ৰদান কৰা ১০ কোটি টকাৰ ব্যয়ৰ খতিয়ান আৰু পিএম-ঊষা (PM-USHA)ৰ অধীনত হাতত লোৱা হোষ্টেল প্ৰকল্পৰো বুজ লয়। আনহাতে গুৱাহাটী বিশ্ববিদ্যালয়সহ কেতবোৰ মহাবিদ্যালয় আৰ্থিক সংকটত পৰা বুলি উঠা অভিযোগ সন্দৰ্ভতো প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ডাঃ ৰণোজ পেগুৱে কয়, পুঁজিৰ জোৰা মৰাটো বিশ্ববিদ্যালয়, স্বায়ত্তশাসিত মহাবিদ্যালয়সমূহৰ নিজৰ দায়িত্ব। যদি কিবা কৰিবলগীয়া থাকে আগলৈ বিষয়টো বিবেচনা কৰা হ'ব। ইফালে সাংবাদিকে চৰকাৰীভাৱে যোগান ধৰা ইউনিফৰ্মত ৩০ ৰ পৰা ৩৩ শতাংশ কটনৰ পৰিৱৰ্তে ৬৭ শতাংশৰ পৰা ৭০ শতাংশ পলিয়েষ্টাৰ থকা বিষয়টো উনুকিয়াই চৰকাৰী ইউনিফৰ্মৰ গুণগত নিম্ন মানে ৩৭-৩৮ ডিগ্ৰী চেলচিয়াছ তাপমাত্ৰাত ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্যলৈ ভাবুকি নমাই নানিব নে বুলি উত্থাপন কৰা প্ৰশ্নক একপ্ৰকাৰ ইতিকিং কৰি উৰুৱাই দিয়ে শিক্ষা মন্ত্ৰীগৰাকীয়ে। শিক্ষামন্ত্ৰী ডাঃ পেগুৱে কয় যে ইউনিফৰ্মত ৩০ শতাংশ কটন থাকে। (নপৃষ্ঠাত চাওক)

## ৬ ঘণ্টাৰ যাত্ৰা এতিয়া সম্পূৰ্ণ হ'ব মাত্ৰ ২০ মিনিটতঃ মুখ্যমন্ত্ৰী




ৰঙিলী বাৰ্ত্তাসেৱা- গহপুৰৰ পৰা নুমলীগড়লৈ প্ৰস্তাৱিত ব্ৰহ্মপুত্ৰ নদীৰ তলেৰে নিৰ্মাণ হ'বলগা সুৰংগক কেন্দ্ৰীয় কেবিনেটে ইতিমধ্যে অনুমোদন জনোৱা এই প্ৰকল্পৰ চূড়ান্ত ডিপিআৰো প্ৰস্তুত হৈছে। দেশৰ ভিতৰত প্ৰথমটো ৰে'ল যোগাযোগ আৰু পথ যোগাযোগত থকা এই সুৰংগই অসম তথা উত্তৰ-পূৰ্বলৈ নমাই আনিব অভাৱনীয় পৰিৱৰ্তন। গহপুৰ-নুমলীগড় সংযোগী সুৰংগক লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত এক পোষ্ট কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই এক পোষ্টত লিখিছে- ৬ ঘণ্টাৰ দীঘলীয়া যাত্ৰা এতিয়া সম্পূৰ্ণ হ'ব (দহ পৃষ্ঠাত চাওক)

## পুশ্বেবেকক লৈ শ্ৰীভূমিৰ ভাৰত-বাংলা সীমান্তৱৰ্তী বিলবাৰীত তীব্ৰ উত্তেজনা



ৰঙিলী বাৰ্ত্তাসেৱা- সীমান্তত কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলাৰ পাছতো অব্যাহত আছে অনুপ্ৰৱেশ। একাংশ দালালৰ সহযোগত সীমান্ত সুৰক্ষা বাহিনী (বিএছএফ)ৰ চকুত ধূলি মাৰি অসম-পশ্চিমবংগ সংলগ্ন সীমান্তেৰে ভাৰতভূমিত প্ৰৱেশ কৰা বাংলাদেশী নাগৰিকক পুশ্বেবেকৰ পদক্ষেপ লোৱা হৈছে। এই পুশ্বেবেকক কেন্দ্ৰ কৰি সীমান্তত যুদ্ধসদৃশ পৰিস্থিতিৰ সূত্ৰপাত হয়। আনকি বাংলাদেশ ব'ৰ্ডাৰ গাৰ্ড (বিজিবি)-বিএছএফৰ মাজত সংঘাতৰো উদ্ভৱ হয়। প্ৰাপ্ত তথ্য অনুসৰি বিলাবাৰী সীমান্ত অঞ্চলৰ নিউ পিল্লাথল নামৰ ঠাইত এদল বাংলাদেশী অনুপ্ৰৱেশৰ সময়তে ধৰা পেলাই স্বদেশলৈ ঘূৰাই পঠিয়াবলৈ বিএছএফে চেষ্টা কৰিছিল। এই পুশ্বেবেক কৰিবলৈ লওঁতেই (দহ পৃষ্ঠাত চাওক)

## ধ্বংসস্তূপত পৰিণত ভেনিজুৱেলা



ৰঙিলী বাৰ্ত্তাসেৱা- বুধবাৰে দুটাকৈ প্ৰলয়কৰী ভূমিকম্পই জোকাৰি যোৱা ভেনিজুৱেলা ধ্বংসস্তূপত পৰিণত হ'ল। বৰ্তমানো অব্যাহত আছে উদ্ধাৰ অভিযান। যিমানেই সময় বাগৰিছে সিমানেই এই ভূইকম্পৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা বৃদ্ধি পাই গৈ আছে। এই পৰ্যন্ত মৃতকৰ সংখ্যা হৈছেগৈ ১,৬৮০জন। আনহাতে, ৫১ হাজাৰ লোক এতিয়াও সন্ধানহীন হৈ আছে। পূৰ্ণগতিত চলি আছে উদ্ধাৰ অভিযান। এতিয়াও আৰু বহুতো লোক ধ্বংসস্তূপৰ মাজত আবদ্ধ হৈ আছে ( দুই পৃষ্ঠাত চাওক)

## কিংবদন্তি ক্ৰিকেটাৰ সুনীল গাভাস্কাৰক সাক্ষাৎ মুখ্যমন্ত্ৰীৰ




ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীত কিংবদন্তি ক্ৰিকেটাৰ সুনীল গাভাস্কাৰক সাক্ষাৎ কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই । এই সৌজন্যমূলক সাক্ষাৎকালত ভাৰতীয় ক্ৰিকেটৰ ঐতিহ্য, খেলৰ পৰিৱৰ্তিত ধাৰা আৰু অসমত ক্ৰিকেটৰ অধিক বিকাশৰ সম্ভাৱনা আদি সন্দৰ্ভত মত বিনিময় কৰে। দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত উচ্চস্তৰীয় বৈঠকখনত ভাৰতীয় ক্ৰিকেট দলৰ প্ৰাক্তন অধিনায়ক সুনীল গাভাস্কাৰৰ সৈতে উপস্থিত থাকে বিচিচিআইৰ সচিব দেৱজিৎ লন শইকীয়া। এই বৈঠকতে সুনীল গাভাস্কাৰে টকিঅ' (দহ পৃষ্ঠাত চাওক)

# পুনৰ ইৰানত আক্ৰমণ আমেৰিকাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- মধ্য প্ৰাচ্যত পুনৰ উত্তেজনা চৰম সীমাত উপনীত হৈছে। ইৰাণ-আমেৰিকাৰ যুদ্ধবিৰতিৰ পাছৰ শেহতীয়া খবৰ অনুসৰি, আমেৰিকা আৰু ইৰানৰ মাজত পুনৰ আক্ৰমণ হৈছে। আমেৰিকাই জনাইছে যে ইৰানৰ ক্ষেপণাস্ত্ৰ, ড্ৰোন ভাণ্ডাৰত আক্ৰমণ চলাইছে তেওঁলোকে। তাৰ লগতে লক্ষ্য কৰি লোৱা হৈছে উপকূলীয় ৰাডাৰ কেন্দ্ৰসমূহকো। শুকুৰবাৰে এখন মালবাহী জাহাজত আক্ৰমণৰ অভিযোগ উঠিছিল তেহৰানৰ বিৰুদ্ধে। ইয়াৰ পিছতে আমেৰিকাৰ এই আক্ৰমণ। মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ইৰানৰ আক্ৰমণক 'বুৰ্বকৰ দৰে' যুদ্ধবিৰতি লংঘন বুলি অভিহিত কৰে। খবৰ অনুসৰি ইৰাণে প্ৰথমে ছিংগাপুৰৰ পতাকা থকা এখন বাণিজ্যিক মালবাহী জাহাজ হৰমুজ জলদ্বীপত আক্ৰমণ কৰিছিল । ইয়াৰ ফলত আমেৰিকা ক্ষুব্ধ হৈ পৰে আৰু ইৰাণক ইয়াৰ প্ৰত্যুত্তৰ দিয়ে। আমেৰিকাৰ চেণ্ট্ৰেল কমাণ্ডে (CENTCOM) জনোৱা মতে, ২৫ জুনত ইৰাণে এম/ভি এভাৰ লাভলীক (Ever Lovely) ড্ৰোণেৰে ওৱান ৱে আক্ৰমণ কৰিছিল। তাৰ পাছত ইৰাণৰ ক্ষেপণাস্ত্ৰ আৰু ড্ৰোণ সংৰক্ষণ স্থানৰ লগতে উপকূলীয় ৰাডাৰ স্থানকো লক্ষ্য কৰি আক্ৰমণ চলাইছি । শেহতীয়াকৈ ওমান উপকূলৰ সমীপৰ হৰমুজ জলদ্বীপৰ পৰা ওলাই আহি থকা অৱস্থাতে এখন জাহাজক ইৰাণে আক্ৰমণ কৰে। কমাণ্ডটোৱে এক বিবৃতিত কয় যে হৰমুজ জলদ্বীপ অতিক্ৰম কৰা এখন বাণিজ্যিক জাহাজত হোৱা আক্ৰমণৰ তীব্ৰ প্ৰতিক্ৰিয়া স্বৰূপে ২৬ জুনত ইৰাণৰ বিৰুদ্ধে চেণ্টকম বাহিনীয়ে আক্ৰমণ চলাইছিল। বিবৃতিটোত কোৱা হৈছে যে ইৰাণে ২৫ জুনত এম/ভি এভাৰ লাভলীত ওৱান ৱেত ড্ৰোণ আক্ৰমণ কৰিছিল । ইয়াৰ পাছত আমেৰিকাৰ বিমানে ইৰাণৰ ক্ষেপণাস্ত্ৰ আৰু ড্ৰোণ সংৰক্ষণ স্থান আৰু উপকূলীয় ৰাডাৰ স্থানত আঘাত কৰে । উল্লেখযোগ্য যে পাকিস্তান আৰু কাটাৰৰ মধ্যস্থতাত ছুইজাৰলেণ্ডত শান্তি বৈঠকত বহিছিল আমেৰিকা আৰু ইৰান। স্বাক্ষৰিত হৈছিল বুজাবুজিৰ চুক্তি। কিন্তু বুজাবুজি-পত্ৰৰ ৰুছুনং দফাৰ চৰ্ত বাস্তৱায়িত আৰু পৰ্যালোচনা কৰিবলৈ মুখামুখি হয় দুয়োপক্ষই। কিন্তু এই আলোচনা সম্পূৰ্ণ হৈ উঠাৰ আগতে পুনৰ এই আক্ৰমণে অনিশ্চয়তাৰ সৃষ্টি কৰিছে।

# দিল্লীসহ উত্তৰ ভাৰতত ভূমিকম্পৰ জোকাৰণি



ৰঙিলী বাৰ্ত্তাসেৱা- ভেনিজুৱেলাৰ পিছত এইবাৰ আফগানিস্তান ভূমিকম্পৰ জোকাৰণি । শনিবাৰে সন্ধিয়া আফগানিস্তানত উচ্চপ্ৰাবল্যৰ এক ভূমিকম্পই জোকাৰি যায় । এই ভূঁইকঁপৰ জোকাৰণি দিল্লীকে ধৰি জম্মু-কাশ্মীৰসহ উত্তৰ ভাৰতৰ আৰু কেইবাখনো ৰাজ্যত অনুভূত হয়। শনিবাৰ সন্ধিয়া ৭বজাত কপি উঠে সমগ্ৰ উত্তৰ ভাৰত। অৱশ্যে ভূঁইকঁপৰ উৎপত্তিস্থল ভাৰত নহয়। এই ভূঁইকঁপৰ উৎস আফগানিস্তান। ৰিখটাৰ স্কেলত কম্পনৰ মাত্ৰা ৬.২। ৰাষ্ট্ৰীয় ভূকম্পন পৰিমাপ কেন্দ্ৰ বা নেচনেল চেণ্টাৰ ফৰ ছিছম'লজীয়ে জনাইছে যে শনিবাৰে সন্ধিয়া ৭.০৪ বজাত উত্তৰ ভাৰতৰ বিভিন্ন ৰাজ্যত এই কম্পন্ন ঘনীভূত হয়। ভূপৃষ্ঠৰ পৰা ২১৫ কিঃ মিঃ গভীৰত এই ভূঁইকঁপৰ অভিকেন্দ্ৰ। মাৰ্কিন ভূতাত্বিক জৰীপ সংস্থাই দিয়া তথ্য অনুসৰি ভূঁইকঁপৰ অভিকেন্দ্ৰ আফগানিস্তানৰ জুৰমৰ পৰা ৪৩ কিঃ মিঃ দক্ষিণত। এই ভূঁইকঁপৰ ফলত দিল্লীৰ বহু লোক আতংকিত হৈ ঘৰৰ পৰা বাহিৰলৈ ওলাই আহিল।

# ধ্বংসস্তূপত পৰিণত ভেনিজুৱেলা

বুলি আশংকা কৰা হৈছে। মৃতকৰ সংখ্যা শেষলৈ ৰ লাখ পৰ্যন্ত হ'ব পাৰে বুলিও আশংকা কৰা হৈছে। এই বৰভূঁইকঁপৰ প্ৰভাৱত আহত হোৱা লোকসকলক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। চিকিৎসাধীন লোকসকলৰ ভিতৰত ৫ হাজাৰতকৈও অধিক লোক গুৰুতৰভাৱে আহত বুলি কোৱা হৈছে। ধ্বংসস্তূপৰ মাজত আবদ্ধ হৈ থকা মৃত অথবা আহত লোকসকলৰ উদ্ধাৰকাৰ্যত নামি পৰিছে সাধাৰণ নাগৰিকসকলো। ভাঙি পৰা অট্টালিকাৰ আশে-পাশে প্ৰিয়জনক বিচাৰি আতুৰ হৈ পৰিছে বহু লোক। প্ৰাকৃতিক দুৰ্যোগৰ ওচৰত অসহায় মানুহৰ আকৃতি, চকুপানীৰে ধ্বংসস্তূপৰ এখন সামগ্ৰিক কৰুণ ছবি ফুটি উঠিছে ভেনিজুৱেলাত। উল্লেখ্য যে ভাৰতীয় সময় অনুসৰি নিচেই পুৱাতে এটাৰ পিছত এটাকৈ ৩৯ ছেকেণ্ডৰ ভিতৰতে দুটা প্ৰলয়ংকৰী বৰভূইকঁপে জোকাৰি যায় ৰাজধানী কাৰাকাছসহ ভেনিজুৱেলাৰ একাধিক এলেকা। মাৰ্কিন জিঅ'লজিকেল ছাৰ্ভেৰ তথ্য অনুসৰি এই যুটীয়া ভূঁইকঁপৰ অভিকেন্দ্ৰ আছিল ভেনিজুৱেলাৰ কেৰিবিয়ান উপকূলৱৰ্তী মোৰন চহৰৰ পশ্চিমে ভূপৃষ্ঠৰ পৰা মাত্ৰ ১৩ কিঃ মিঃ গভীৰত। প্ৰথমটো বৰভূইকঁপৰ প্ৰাবল্য আছিল ৭.২ আৰু দ্বিতীয়টো প্ৰাবল্য ৭.৫ আছিল। এক মিনিটতকৈও কম সময়ৰ এই যুটীয়া ভূঁইকঁপত তচনচ হৈ যায় চৌপাশ। তাচপাতৰ ঘৰৰ দৰে হুৰমুৰকৈ খহি পৰে বৃহৎ বৃহৎ অট্টালিকা। ভাঙি পৰে বিদ্যুতৰ খুঁটা। ধ্বংসস্তূপৰ ফলত অৱৰুদ্ধ হৈ পৰে একাধিক পথ। ভেনিজুৱেলাৰ চৰকাৰে জনোৱা মতে, ভূঁইকঁপৰ ফলত আটাইতকৈ বেছি ক্ষতি হৈছে কেৰিবিয়ান সাগৰৰ পাৰৰ বন্দৰ চহৰ লা গুৱাইৰা আৰু ৰাজধানী কাৰাকাছৰ উত্তৰ অংশত। ব্যাপক ক্ষয়-ক্ষতি হোৱাত এতিয়াও বন্ধ ৰখা হৈছে ভেনিজুৱেলাৰ মূল বিমানবন্দৰটো। ইতিমধ্যে দেশখনত জৰুৰী অৱস্থা ঘোষণা কৰা হৈছে। আতংকত কাৰাকাছ আৰু উপকণ্ঠ অঞ্চলৰ লোকসকলে মুকলি আকাশৰ তলত নিশা কটাইছে। ভেনিজুৱেলাৰ বহু ঠাইত বিদ্যুৎ আৰু ইণ্টাৰনেট সংযোগ বিচ্ছিন্ন হৈ গৈছে। স্কুলসমূহত পাঠদান আপাততঃ বন্ধ ৰখাৰ নিৰ্দেশ দিয়া হৈছে। কাৰণ স্কুল ভৱনসমূহক অস্থায়ী আশ্ৰয় শিবিৰ হিচাপে ব্যৱহাৰ কৰিছে প্ৰশাসনে।

সম্পাদকীয় শিতান...

# গডৰেজ, চেল্ফ, ডাষ্টবিন ইত্যাদি

দেৱাশীষ গোস্বামী



গডৰেজ বুলি কোৱাৰ লগে লগে আমি আমাৰ মূল্যবান আ-অলংকাৰ, টকা-পইচা, কাপোৰ-কানি, সযত্নে, সুৰক্ষিত ভাবে ৰাখিব পৰা এটা অবয়ব চকুৰ সন্মুখত ভাহি উঠে, য'ত কোনো ধৰণৰ অলাগতীয়াল বস্তুৰ স্থান নাই।

চেল্ফ বুলি কওঁতে আজিকালি বাচন-বৰ্তন, কিতাপ-পত্ৰ, বিভিন্ন ধৰণৰ show piece থ'ব পৰা ইটোতকৈ সিটো চৰা কাঠৰ, গ্লাছৰ বিভিন্ন সুন্দৰ সুন্দৰ অবয়ব চকুৰ আগত ভাহি উঠে যি একোখন ঘৰৰ আভিজাত্যকো প্ৰতিনিধিত্ব কৰে। মুঠতে গডৰেজ, চেল্ফ ইত্যাদিবোৰ আমি প্ৰত্যেকে আমাৰ মূল্যবান লাগতিয়াল সুন্দৰ সুন্দৰ যিকোনো বস্তু সযত্নে ৰাখিবৰ বাবে ব্যৱহাৰ কৰো।

ঠিক তাৰ বিপৰীতে আমাৰ প্ৰত্যেকৰে ঘৰৰে আন এটা অপৰিহাৰ্য্য বস্তু হ'ল ডাষ্টবিন, য'ত আমি আমাৰ অলাগতীয়াল, পেলনীয়া বস্তু খিনি স্থায়ী ভাবে নষ্ট কৰালৈকে গোটাই ৰাখো।

আমি সকলোৱে একোখন সমাজ পাতি বাস কৰো। প্ৰত্যেকখন সমাজত যিদৰে বিভিন্ন মূল্যবান, লাগতিয়াল সম্পদ থাকে, ঠিক তেনেদৰেই প্ৰদূষণ সৃষ্টি কৰা, বিষবাষ্প বিয়পোৱা আপদো বহুত থাকে। সমাজৰ এই জাবৰ জোথৰ বোৰ নিস্কাষনৰ বাবে প্ৰত্যেকখন সমাজত একো একোটা ডাষ্টবিনৰ নিত্যান্তই প্ৰয়োজন যাতে আমি আমাৰ ভৱিষ্যত প্ৰজন্মক একোখন নিকা সমাজৰ আৰ্হি দি থৈ যাব পাৰো।

আজি সংখ্যাৰ সম্পাদকীয়ৰ মুল উদ্দেশ্যটো হ'ল যে, সময় থাকোতেই আমি যদি নিজৰ ঘৰখনৰ লগতে সমাজখনৰ আৱৰ্জনা, জাবৰ-জোথৰ বোৰ পৰিস্কাৰ নকৰো, আমাৰ লগতে ভৱিষ্যত প্ৰজন্মৰ জীৱন দুৰ্বিষহ হৈ পৰিব যাৰ বাবে দায়ী কেৱল মাত্ৰ আমি নিজে।

# ৰাম মন্দিৰৰ চুৰি হোৱা ৮০ লাখ টকা উদ্ধাৰ আৰক্ষীৰ

ৰঙিলী বাৰ্ত্তাসেৱা- অযোধ্যাৰ ৰাম মন্দিৰত ভক্তসকলৰ দানৰ নগদ ধন আৰু মূল্যৱান সামগ্ৰীৰ চুৰিৰ ঘটনাত গ্ৰেপ্তাৰ হোৱা ৮জন অভিযুক্তৰ ঘৰত তালাচী চলাই হিচাপ বহিৰ্ভূত ৮০ লাখ টকা উদ্ধাৰ কৰে উত্তৰ প্ৰদেশ আৰক্ষীয়ে। শুকুৰবাৰৰ পৰা আৰম্ভ হোৱা এই তালাচী অভিযান এতিয়াও ৰাজ্যখনৰ বিভিন্ন স্থানত চলি আছে বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। যোৱা দুবছৰত ভক্তসকলে দিয়া প্ৰণামীৰ কেইবাকোটি টকা লুট হৈছে বুলি প্ৰাথমিক তদন্তত জানিব পাৰিছে আৰক্ষীয়ে। ৰাম মন্দিৰৰ কৰ্মচাৰী ( সেৱাদাৰ) আনকি মন্দিৰ পৰিচালনাৰ দায়িত্বত থকা শ্ৰীৰাম জনমভূমি তীৰ্থক্ষেত্ৰ ট্ৰাষ্ট'ৰ সদস্য তথা পদাধিকাৰীসকলৰ একাংশও এই কাৰ্যত জড়িত থাকিব পাৰে বুলি SCAM আৰক্ষীৰ 'বিশেষ তদন্তকাৰী গোট' চমুকৈ এছআইটিৰ ধাৰণা। বৃহস্পতিবাৰে ৮জন অভিযুক্তক গ্ৰেপ্তাৰৰ পিছতে 'শ্ৰীৰাম জনমভূমি তীৰ্থক্ষেত্ৰ ট্ৰাষ্ট'ৰ সাধাৰণ সম্পাদক পদৰ পৰা ইস্তাফা দিয়ে চম্পত ৰায়ে। লগতে ট্ৰাষ্টৰ সদস্য (ট্ৰাষ্টী) পদৰ পৰা ইস্তাফা দিয়ে অনিল মিশ্ৰই। ঘটনাক্ৰমে ধৃত অভিযুক্তসকলৰ একাংশৰ সৈতে এই দুয়োজনৰে যোগাযোগ থকাৰ তথ্য লাভ কৰিছে আৰক্ষীয়ে।

# অৱশেষত অপাৰেচন সিন্দূৰত শ্বহীদ হোৱা ৬ জোৱানৰ নাম প্ৰকাশ




ৰঙিলী বাৰ্ত্তাসেৱা- অপাৰেচন সিন্দূৰ অভিযানত শ্বহীদ হোৱা ৬গৰাকী ভাৰতীয় সেনাকৰ্মীৰ নাম প্ৰথমবাৰৰ বাবে প্ৰকাশ কৰিলে কেন্দ্ৰীয় চৰকাৰে। কেৱল নামেই নহয়, শ্বহীদ জোৱানকেইজনৰ বিষয়ে বিস্তাৰিত তথ্যও উন্মোচন কৰা হৈছে। 'আৰ্মী ৱাৰ মেম'ৰিয়েল'ৰ চৰকাৰী ৱেবছাইটত এই সম্পৰ্কীয় তথ্য তুলি ধৰা হৈছে। যোৱা বছৰৰ মে' মাহত পাকিস্তানৰ সন্ত্ৰাসবাদী সংগঠনসমূহৰ বিৰুদ্ধে চলোৱা অপাৰেচন সিন্দূৰত শ্বহীদবৰণ কৰা ভাৰতীয় ( নপৃষ্ঠাত চাওক)

# জাপানৰ ৰাষ্ট্ৰদূতেৰে বাৰ্তালাপ মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- বিশেষ কাৰণত জাপানৰ প্ৰধানমন্ত্ৰী ছানাই টাকাইচিৰ অসম ভ্ৰমণ বাতিল হ'ল যদিও অসম-জাপানৰ সম্পৰ্কই ইতিবাচক গতি লাভ কৰিছে। ভাৰতস্থিত জাপানৰ ৰাষ্ট্ৰদূত কেঈচি অ'নোৰ সৈতে ফোনযোগে এক বাৰ্তালাপত মিলিত হয় অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। শুকুৰবাৰে সামাজিক মাধ্যমযোগে এই কথা জানিবলৈ দিয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই । সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰীয়ে কয় যে জাপানৰ ৰাষ্ট্ৰদূত কেঈচি অ'নোৰ সৈতে কালি ফোনযোগে এক আন্তৰিক আৰু ফলপ্ৰসূ বাৰ্তালাপ কৰোঁ। আমাৰ এই আলোচনা কালত তেওঁ ভাৰতৰ এক্ট-ইষ্ট পলিচীৰ অধীনত অসমৰ সৈতে জাপান চৰকাৰৰ চলি থকা অংশীদাৰিত্ব আৰু সহযোগিতা অধিক সুদৃঢ় কৰাৰ বাবে প্ৰতিশ্ৰুতি পুনৰ ব্যক্ত কৰে। সামাজিক মাধ্যমত দিয়া পোষ্টটোত মুখ্যমন্ত্ৰী ড° শৰ্মাই এই বিষয়ে ব্যাখ্যা কৰি লিখিছে-ইলেক্ট্ৰ'নিকছ, ছেমিকণ্ডাক্টৰ, আন্তঃগাঁথনি, উৎপাদন উদ্যোগ আৰু উদ্যমিতা আদি গুৰুত্বপূৰ্ণ ক্ষেত্ৰত পাৰস্পৰিক সহযোগিতা অধিক বিস্তৃত-গতিশীল-ফলপ্ৰসূ কৰাৰ ক্ষেত্ৰত আমি উমৈহতীয়াভাৱে সহমত প্ৰকাশ কৰোঁ। অনাগত দিনসমূহত অসমৰ জনসাধাৰণৰ বাবে অধিক বিনিয়োগ, উদ্যোগ ( চাৰিপৃষ্ঠাত চাওক)

# সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদন পুনৰ নাকচ



ৰঙিলী বাৰ্ত্তাসেৱা-অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ হত্যা গোচৰত গুৱাহাটী উচ্চন্যায়ালয়ৰ পৰা জামিন বিচাৰি মুখ থেকেচা খাইছে অন্যতম অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাই। অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিনৰ শুনানি গ্ৰহণ কৰাৰ পিছত ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ আদালতে তেওঁৰ জামিন আবেদন অগ্ৰাহ্য কৰে। উল্লেখ্য যে কিছুদিন পূৰ্বে ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতে সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদন নাকচ কৰিছিল। ফাষ্টট্ৰেক আদালতৰ ৰায়ক প্ৰত্যাহ্বান জনাই সিদ্ধাৰ্থ শৰ্মাই গুৱাহাটী উচ্চ ন্যায়ালয়ত জামিন আবেদন দাখিল কৰিছিল। যোৱা ৪ জুনত সিদ্ধাৰ্থ শৰ্মাৰ জামিন ( দহ পৃষ্ঠাত চাওক)

# বিশিষ্ট সংগীত শিল্পী সুমন কল্যাণ দত্তৰ অকাল বিয়োগ




ৰঙিলী বাৰ্ত্তাসেৱা- পাশ্চাত্য সংগীতৰ জনপ্ৰিয় কণ্ঠশিল্পী সুমন কল্যাণ দত্তৰ আকস্মিক বিয়োগ । বিশিষ্ট সংগীত শিল্পী সুমন কল্যাণ দত্তৰ শুকুৰবাৰে পুৱা ৫.৪৫ বজাত ৰাজগড়স্থিত নিজ বাসভৱনত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৫৯ বছৰ। ৰক আৰু পশ্চিমীয়া সংগীত জগতৰ এক পৰিচিত আৰু অতি জনপ্ৰিয় মুখ আছিল দত্ত । পাশ্চাত্য সংগীত জগতত SKD হিচাপে পৰিচিত আছিল সুমন কল্যাণ দত্ত । জানিব পৰা অনুসৰি, বিগত কেইদিনমান ধৰি স্বাস্থ্যজনিত সমস্যাত ভুগি আছিল কণ্ঠশিল্পীগৰাকী। শিল্পীগৰাকীৰ মৃত্যুৱে অসমৰ শিল্পী সমাজৰ মাজত শোকৰ ছাঁ পেলাইছে। চিকিৎসক ডাঃ শৰৎ দত্ত আৰু ডাঃ দীপালী দত্তৰ দ্বিতীয় পুত্ৰ সুমন কল্যাণ দত্তৰ জন্ম হৈছিল ১৯৬৬ চনত। খানাপাৰাৰ কেন্দ্ৰীয় বিদ্যালয়ত স্কুলীয়া জীৱন আৰম্ভকৰা সুমন কল্যাণ দত্তই গুৱাহাটী কমাৰ্চ কলেজৰ পৰা বি কম ডিগ্ৰী আহৰণ কৰিছিল। ইয়াৰ বাদেও জে বি আইন মহাবিদ্যালয়ৰ পৰা আইনৰ স্নাতক ডিগ্ৰীও তেওঁ গ্ৰহণ কৰিছিল। এটি বেচৰকাৰী কোম্পানীত কৰ্মজীৱন আৰম্ভ কৰা দত্তই পৰৱৰ্তী সময়ত সংগীতৰ প্ৰতি আকৰ্ষিত হয়। বিশেষকৈ অসমত পশ্চিমীয়া সংগীতক বিশেষভাৱে জনপ্ৰিয় কৰি তোলাত তেওঁ যথেষ্ট অৰিহণা যোগাইছিল। যিসময়ত অসমত পাশ্চাত্য সংগীতৰ বিশেষ প্ৰভাৱ পৰা ( দহ পৃষ্ঠাত চাওক)

# লখিমপুৰত বজ্ৰপাত পৰি তিনিজনৰ মৃত্যু

ৰঙিলী বাৰ্ত্তাসেৱা- শুকুৰবাৰে লখিমপুৰত বিয়লি এক শোকাৱহ ঘটনা সংঘটিত হয়। লখিমপুৰ নগৰৰ সমীপৰ ৰাংচালীৰ দেবেৰা পথাৰত ঘটনাটো সংঘটিত হয়। ঘটনা অনুসৰি, বজ্ৰপাতত একে ঠাইতে তিনিজন লোকে প্ৰাণ হেৰুৱাব লগীয়া হয়। বজ্ৰপাতত নিহত তিনিজনৰ দুজন পুৰুষ আৰু এগৰাকী মহিলা। দেবেৰা পথাৰত কৃষিকাৰ্যত লাগি থাকোঁতেই বজ্ৰপাতৰ ফলত তিনিজন লোকে প্ৰাণ হেৰুৱা। বজ্ৰপাতৰ ফলত মৃত্যু হোৱা লোককেইজন হল সুনু হৰ, জেকচন কেৰ্কেটা আৰু জয়ন্তী টাপুৱা। তেওঁলোক আটাইৰে ঘৰ ৰাংচালী গাঁৱত। ইয়াৰে সুনু হৰ আৰু জেকচন কেৰ্কেটা ককাই-ভাই। বিয়লি এক মান বজাত এই ঘটনাটো ঘটে। সুনু হৰ আৰু জেকচন কেৰ্কেটাই দেবেৰা পথাৰত কৃষিকাৰ্যত ব্যস্ত হৈ আছিল। তেওঁলোকক পথাৰত ভাত দিবৰ বাবে গৈছিল একে গাঁৱৰে প্ৰতিবেশী জয়ন্তী টাপুৱাৰ নামৰ মহিলাগৰাকী। সেই সময়ত হঠাৎ বতৰৰ পৰিৱৰ্তন হয়। ফৰকাল বতৰটো খন্তেকতে ডাৱৰীয়া হৈ পৰে। আৰম্ভ হয় বিজুলী ঢেৰেকনি আৰু বৰষুণ। এই দুৰ্যোগৰ পৰা ৰক্ষা পাবলৈ তেওঁলোকে পথাৰৰ মাজত থকা এজোপা গছৰ তলত আশ্ৰয় লয়। কিন্তু গছজোপাৰ ওপৰতে বজ্ৰ পৰে। নিথৰ হৈ পৰে তিনিজন। ঘটনাত গাঁৱৰ ৰাইজে তেওঁলোকক চিকিৎসালয়লৈ নিয়ে যদিও ইতিমধ্যে তিনিওৰে মৃত্যু হয়। সম্প্ৰতি নিহতকেইজনৰ মৃতদেহ লখিমপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ৰখা হৈছে।

# অম্বুবাচীৰ নিবৃত্তিৰ পিছতেই মুকলি হ'ল কামাখ্যা দেৱালয়ৰ দ্বাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ভক্তি আৰু আধ্যাত্মিকতাৰ অনন্য সমাহাৰ তথা আয়তীৰ উৰুলি, ভক্তৰ জয়ধ্বনিৰে সামৰণি পৰিল নীলাচল পাহাৰৰ কামাখ্যা ধামত অনুষ্ঠিত অম্বুবাচী মহাযোগৰ। বিগত ২২ জুনত অম্বুবাচীৰ প্ৰবৃত্তিৰ পিছতে ২৫জুনৰ মাজনিশা ১২ বাজি ২ মিনিট ১৩ ছেকেণ্ডত অম্বুবাচীৰ নিবৃত্তি হৈছিল। তাৰ পিছতে শুকুৰবাৰে পুৱা সূৰ্যোদয়ৰ লগে লগে দেবীৰ স্নানাদিকে ধৰি নিত্য পূজা সম্পূৰ্ণ কৰাৰ পিছত মন্দিৰৰ দুৱাৰ মুকলি কৰা হয়। নিবৃত্তিৰ পাছত সপৰিয়ালে দেৱী কামাখ্যাৰ দৰ্শন কৰে অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই। দেৱীৰ শ্ৰীচৰণত সেৱা আগবঢ়াই ৰাজ্যপাল আচাৰ্যই সকলোৰে মংগল কামনা কৰে। তেওঁ কয়, এই শুভ অনুষ্ঠানৰ পৰা মই ৰাজ্যবাসীলৈ বহুত অভিনন্দন আৰু শুভেচ্ছা জনাইছোঁ । মই সুখী যে লাখ লাখ লোকে মা কামাখ্যাক সেৱা জনাবলৈ আহিছে, আৰু সকলোৱে মা কামাখ্যাৰ চৰণত আশিস গ্ৰহণ কৰিছে । প্ৰশাসনে সকলোকে দৰ্শনৰ বাবে সুসংগঠিত ব্যৱস্থা কৰিছে। অম্বুবাচীত ভক্তৰ ভিৰ নিয়ন্ত্ৰণৰ বাবে ব্যাপক ব্যৱস্থা গ্ৰহণ কৰিছিল আৰক্ষী প্ৰশাসনে। এই ক্ষেত্ৰত বান্ধি দিয়া হৈছিল কেতবোৰ নীতি নিৰ্দেশনাও। কোনো অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নোহোৱাকৈ অম্বুবাচীৰ অন্ত পৰাত প্ৰশাসনক ধন্যবাদ জ্ঞাপন কৰিছে ৰাজ্যপালে । নিবৃত্তিৰ পিছত নিত্য পূজা-অৰ্চনাৰ লগে লগে মন্দিৰৰ দুৱাৰ ভক্তিপ্ৰাণ ৰাইজৰ বাবে মুকলি কৰি দিয়া হয়। দুৱাৰ খোলাৰ লগে লগেই ভক্ত-দৰ্শনাৰ্থীৰ তীব্ৰ ঠেলা-হেঁচা হোৱা পৰিলক্ষিত হয়। পৰ্যটন বিভাগৰ তথ্যমতে এইবাৰ অম্বুবাচীত প্ৰায় ৮ লাখ ভক্তৰ ( দহ পৃষ্ঠাত চাওক)

# দুটাকৈ বিধ্বংসী বৰভূঁইকঁপত বিধ্বস্ত ভেনিজুৱেলা



ৰঙিলী বাৰ্তাসেৱা- দুটাকৈ শক্তিশালী ভূমিকম্পই ধ্বংসস্তূপত পৰিণত কৰিলে ভেনিজুৱেলা। বৃহস্পতিবাৰে এটাৰ পিছত এটাকৈ দুটা বিধ্বংসী ভুঁইকঁপে কঁপাই তোলে কাৰাকাছসহ ভেনিজুৱেলাৰ একাধিক এলেকা। ৩৯ ছেকেণ্ডৰ ভিতৰত দুটাকৈ বৰভুঁইকঁপে জোকাৰি যায় ভেনিজুৱেলাক। প্ৰথমটো ভুঁইকঁপৰ প্ৰাবল্য আছিল ৭.২। মাৰ্কিন জিঅ'লজিকেল ছাৰ্ভেৰ তথ্য অনুসৰি এই ভুঁইকঁপৰ উৎপত্তিস্থল ভেনিজুৱেলাৰ কেৰিবিয়ান উপকূলবৰ্তী মোৰন চহৰৰ পশ্চিমে। ইয়াৰ অভিকেন্দ্ৰ ভূপৃষ্ঠৰ পৰা মাত্ৰ ১৩ কিলোমিটাৰ গভীৰত। এই ঠাইখন ৰাজধানী কাৰাকাছৰ পৰা ১৬৮ কিলোমিটাৰ নিলগত অৱস্থিত। প্ৰথমটো ভুঁইকঁপৰ জোকাৰণি অনুভূত হোৱাৰ ৩৯ ছেকেণ্ডৰ পিছতে দ্বিতীয়টো জোকাৰণি অনুভূত হয়। দ্বিতীয়টো ভুঁইকঁপৰ মাত্ৰা আছিল ৭.৫। দ্বিতীয়টোৰ উৎপত্তিস্থলো একেটাই বুলি কোৱা হৈছে। পিছৰটো ভুঁইকঁপৰ অভিকেন্দ্ৰ ভূপৃষ্ঠৰ পৰা মাত্ৰ ১০ কিলোমিটাৰ গভীৰত। এই বিধ্বংসী ভুঁইকঁপ দুটাৰ পিছতো দেশখনত প্ৰায় ৩০টা জোকাৰণি (আফতাৰ শ্বক) ( নপৃষ্ঠাত চাওক)

# ৰাজ্যিক বিজেপিৰ ক'লা দিৱস অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ




ৰঙিলী বাৰ্তাসেৱা- দেশৰ জৰুৰীকালীন অৱস্থাৰ বিভীষিকাময় দিন সুঁৱৰি বৃহস্পতিবাৰে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰী শ্ৰীদামোদৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত ৰাজ্যিক বিজেপিয়ে আয়োজন কৰিলে ৫১ সংখ্যক ক'লা দিৱস। এই ক'লা দিৱস অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। এই ক'লা দিৱসতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য- স্বাধীনতা লাভৰ পিছৰে পৰাই বৰ্তমান সময়লৈকে এক দীঘলীয়া ৰাজনৈতিক পৰিক্ৰমাত কেতিয়াও কোনো প্ৰধানমন্ত্ৰীয়ে জৰুৰীকালীন অৱস্থা ঘোষণা কৰা নাই। কেৱল ইন্দিৰা গান্ধীয়েহে জৰুৰীকালীন অৱস্থা ঘোষণা কৰিছে। কংগ্ৰেছ দলৰ ইন্দিৰা গান্ধীয়ে ঘোষণা কৰা এই জৰুৰীকালীন অৱস্থাত সংবাদ মাধ্যমৰ স্বাধীনতা হৰণ কৰাই নহয়, তেতিয়াৰ কংগ্ৰেছী নেতা সঞ্জয় গান্ধীয়ে গণতন্ত্ৰৰ সেনানীৰ ওপৰত চলাইছিল অত্যাচাৰ আৰু দেশত চৰকাৰৰ বিৰুদ্ধে মাত মতাৰ অধিকাৰ নোহোৱা কৰি পেলাইছিল। প্ৰায় ২১ মাহ ধৰি চলা এই জৰুৰীকালীন সময়ছোৱাত সংবিধান আৰু গণতন্ত্ৰক হত্যা কৰি স্বৈৰাচাৰী আৰু একনায়কত্ববাদী শাসন চলোৱা হৈছিল । য'ত হাজাৰ হাজাৰ লোকে কাৰাবাস ( দহ পৃষ্ঠাত চাওক)

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ত শ্ৰীমন্ত শংকৰদেৱ আৰু গুৰুনানক-শীৰ্ষক মননশীল বক্তৃতা অনুষ্ঠান





ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ গৱেষক চ'ৰাৰ উদ্যোগত এক বিশেষ বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। চ'ৰাৰ সভাপতি ৰিপু কছাৰীয়ে আঁত ধৰা অনুষ্ঠানত পঞ্জাৱ বিশ্ববিদ্যালয়ৰ দূৰ আৰু অনলাইন শিক্ষাকেন্দ্ৰৰ অধ্যাপক যোজনা ৰাৱতে 'মানৱমুক্তিৰ বাহক শ্ৰীমন্ত শংকৰদেৱ আৰু গুৰুনানক'-শীৰ্ষক বিষয়ত মননশীল বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানত উপস্থিত থাকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ডঃ নীৰাজনা মহন্ত বেজবৰা, ডঃ সত্যকাম বৰঠাকুৰ, সহকাৰী অধ্যাপক ডঃ ভাগ্যশ্ৰী শৰ্মাই ধন্যবাদ আৰু কৃতজ্ঞতাসূচক বক্তব্য আগবঢ়ায়। অনুষ্ঠানত একে বিভাগৰ সহকাৰী অধ্যাপক ডঃ স্বাতী কিৰণ, ডঃ জিতু বড়া, ডঃ দৰ্পণজিৎ কোঁৱৰ, ডঃ জিন্টু হাজৰিকা, ডঃ দীপশিখা বুঢ়াগোহাঁই (অংশকালীন), ডঃ বনিশা শইকীয়া (অংশকালীন) আৰু ডঃ জ্যোতিস্মিতা দত্ত (অংশকালীন) উপস্থিত থকাৰ লগতে গৱেষক আৰু স্নাতকোত্তৰ শ্ৰেণীৰ শিক্ষাৰ্থীসকল উপস্থিত থাকে। অনুষ্ঠানৰ শেষত চ'ৰাৰ সম্পাদক জিন্টি দাসে সকলোৰে প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে।

# নগাঁও জিলা আদালতৰ ঐতিহাসিক ৰায়দান

ৰঙিলী বাৰ্তাসেৱা- নগাঁও জিলা মুখ্য আৰু সত্ৰ ন্যায়াধীশ আদালতে বিগত কেইটামান দিনত কেইবাটাও গোচৰৰ ঐতিহাসিক ৰায়দান কৰে। সেই অনুসৰি ন্যায়াধীশ দিব্যজ্যোতি মহন্তৰ আদালতে শিশু হত্যাৰ অভিযোগত লক্ষণ ঠাকুৰ নামৰ এজন লোকক যাবজ্জীৱন কাৰাদণ্ড বিহাৰ লগতে ২০ হেজাৰ টকা জৰিমনা বিহে। আনহাতে অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ বংকিম শৰ্মাৰ আদালতে বোৱাৰী হত্যাৰ অভিযোগত ৰহাৰ ভূপেন ডেকা আৰু জোন্টি ডেকাক যাৱজ্জীৱন কাৰাদণ্ড বিহাৰ লগতে পত্নী হত্যাৰ অভিযোগত জাকিৰ হুছেইনক যাবজ্জীৱন কাৰাদণ্ড আৰু তিনিবছৰ অতিৰিক্ত কাৰাবাসৰ নিৰ্দেশ দিয়ে। একেদৰে ঘৰজ্বলোৱাৰ অপৰাধত জিতেন শৰ্মাক ৭ বছৰ কাৰাদণ্ড, মহিলা নিৰ্যাতনৰ অভিযোগত হবিবুৰ ৰহমান আৰু গুলজাৰ হুছেইনক তিনিবছৰ কাৰাদণ্ডৰ লগতে দুয়োজনকে আদালতে দুহেজাৰকৈ টকা জৰিমনা বিহে। ধৰ্ষণৰ গোচৰত জাহাংগীৰ আলমক ১০ বছৰ কাৰাদণ্ডৰ লগতে তিনি হেজাৰ টকা জৰিমনা বিহে তপাদাৰ ফাষ্ট্ৰট্ৰেক আদালতে। মহিলা নিৰ্যাতনৰ অভিযোগত আদালতে ডিম্বেশ্বৰ বৈশ্যক দুবছৰ কাৰাদণ্ড বিহে।

# নলবাৰীত একেলগে চিপ ল'লে প্ৰেমিক প্ৰেমিকাই



ৰঙিলী বাৰ্তাসেৱা- নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বালিতাৰাত এক লোমহৰ্ষক ঘটনা সংঘটিত হয়। একেডাল ৰচীৰে নিজৰ জীৱন শেষ কৰি দিলে প্ৰেমিক-প্ৰেমিকাই। গাঁওখনৰ বৰনামঘৰৰ পশ্চিমফালে থকা জংঘলৰ মাজত এডাল গছতে চিপ লোৱা অৱস্থাত এক প্ৰেমিক যুগলৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হয়। প্ৰেমিক যুৱক উজ্জ্বল কলিতা আৰু প্ৰেমিকাই ল'লে এই চৰম সিদ্ধান্ত। জানিব পৰা মতে প্ৰেমিক উজ্জ্বল কলিতাৰ ঘৰ ১নং বালিতাৰাত। আনহাতে প্ৰেমিকাৰ ঘৰ ওচৰৰ ৰঙাফালীত। ( নপৃষ্ঠাত চাওক)

# জাপানৰ ৰাষ্ট্ৰদূতেৰে

আৰু অৰ্থনৈতিক সুযোগ সৃষ্টি কৰাৰ লক্ষ্যৰে জাপানৰ উদ্যোগ তথা প্ৰতিষ্ঠাসমূহৰ সৈতে অধিক নিবিড় সংযোগ-সহযোগিতা বৃদ্ধি কৰিবলৈ অসম সদায়ে আশাবাদী। উল্লেখ্য যে অহা ১ জুলাইত গুৱাহাটীত অনুষ্ঠিতব্য ভাৰত-জাপান শীৰ্ষ সন্মিলন উদ্বোধন কৰিবলৈ অহাৰ কথা আছিল দেশখনৰ প্ৰধানমন্ত্ৰী ছানায়ে টাকাইচি। য'ত উপস্থিত থাকিলহেঁতেন ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীও। কিন্তু আকস্মিকভাৱে জাপানৰ প্ৰধানমন্ত্ৰী ছানায়ে টাকাইচি অসম ভ্ৰমণসূচী বাতিল হয়। এই বিষয়ে ৰাজ্য চৰকাৰৰ মুখ্য সচিব ড° ৰবি কোটাক সোমবাৰে নিশা জনাইছিল কেন্দ্ৰীয় বৈদেশিক সচিব বিক্ৰম মিশ্ৰিয়ে। কিন্তু কি কাৰণত জাপানৰ প্ৰধানমন্ত্ৰী ছানায়ে টাকাইচিৰ ভ্ৰমণসূচী বাতিল কৰা হ'ল, সেই বিষয়ে কেন্দ্ৰীয় বৈদেশিক মিশ্ৰিয়ে স্পষ্ট কৰা নাই। মঙলবাৰে অনুষ্ঠিত ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠকৰ পিছত এক সংবাদ মেলত মুখ্যমন্ত্ৰী ড° শৰ্মাই জাপানৰ প্ৰধানমন্ত্ৰী ছানায়ে টাকাইচিৰ অসম ভ্ৰমণসূচী বাতিলৰ বিষয়ে সদৰী কৰিছিল। তেওঁ জানিবলৈ দিয়া মতে জাপানৰ প্ৰধানমন্ত্ৰী ছানায়ে টাকাইচিৰ এইবাৰৰ ভাৰত ভ্ৰমণ নতুন দিল্লীতে সীমাবদ্ধ থাকিব। অৱশ্যে প্ৰধানমন্ত্ৰী ছানায়ে টাকাইচি নাহিলেও পৰৱৰ্তী পৰ্যায়ত জাপানৰ ব্যৱসায়ীসকলক অসমলৈ অনাৰ বাবে তেওঁলোকে পৃথকে এটা দিন স্থিৰ কৰিব। তেনে পৰিপ্ৰেক্ষিতত বৃহস্পতিবাৰে জাপানৰ ৰাষ্ট্ৰদূতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ফোন কৰি পাৰস্পৰিক সহযোগিতাৰ কথা সদৰী কৰে ।

# অৰুণাচলত প্ৰকৃতিৰ তাণ্ডৱ



ৰঙিলী বাৰ্ত্তাসেৱা- চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশত নেৰানেপেৰা বৰষুণৰ অব্যাহত থকাৰ লগতে ডাৱৰ বিস্ফোৰণৰ ফলত সৃষ্টি হৈছে এক অভাৱনীয়, ভয়ংকৰ পৰিস্থিতি। প্ৰকৃতিৰ ৰোষত পৰা অৰুণাচলৰ কেয়ী পানয়োৰ জিলাত ধাৰাসাৰ বৰষুণৰ ফলত সৃষ্ট ভূমিস্খলন আৰু আকস্মিক বানে সৃষ্টি কৰিছে ভয়ংকৰ পৰিস্থিতি। ৰাজ্যখনৰ কেয়ী পানয়োৰ জিলাৰ য়াজালীস্থিত নীপকো ( নপৃষ্ঠাত চাওক)

# ৰাজ্যৰ ৫খন চিকিৎসা মহাবিদ্যালয়ে লাভ কৰিলে এনএবিএইচৰ স্বীকৃতি



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাষ্ট্ৰীয় চিকিৎসালয় আৰু স্বাস্থ্য সেৱা প্ৰদানকাৰীৰ প্ৰত্যায়ন পৰিষদ চমুকৈ এন এ বি এইচৰ স্বীকৃতি লাভ কৰিছে অসমৰ পাঁচখন চিকিৎসা মহাবিদ্যালয় হস্পিতালে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই তথ্য সদৰী কৰি উল্লেখ কৰিছে যে ৰাজ্যৰ চৰকাৰী চিকিৎসা মহাবিদ্যালয়সমূহত উন্নত, মানসম্পন্ন আৰু বিশ্বাসযোগ্য স্বাস্থ্যসেৱা সুনিশ্চিত কৰাৰ লক্ষ্যৰে চিকিৎসা মহাবিদ্যালয়সমূহক এনএবিএইচৰ স্বীকৃতি লাভৰ বাবে আহ্বান জনোৱা হৈছিল। এই আহ্বানৰ প্ৰতি সঁহাৰি জনাই গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল, অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাল, বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতাল, যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতাল আৰু তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালে সফলতাৰে এই বিশেষ স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰীয়ে ইয়াকো উল্লেখ কৰে যে শিলচৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত এই স্বীকৃতিৰ বাবে ইতিমধ্যে পৰিসৰটো সম্পন্ন হৈছে আৰু ফলাফলৰ অপেক্ষা কৰা হৈছে। তদুপৰি ডিব্ৰুগড় আৰু লখিমপুৰৰ আছাম কেঞ্চাৰ কেয়াৰ কেন্দ্ৰয়ো এই স্বীকৃতি লাভ কৰিছে। এনএবিএইচে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ দিয়া স্বীকৃতিক লৈ চিকিৎসালয়খনৰ অধ্যক্ষ অচ্যুত চন্দ্ৰ বৈশ্যয়ো মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰিছে।

# শুৱালকুছিত মহামান্য ৰাজ্যপালৰ উপস্থিতিত ৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন




ৰঙিলী বাৰ্ত্তাসেৱা- ৰাষ্ট্ৰ এখন নিৰ্মাণ হয় জনসাধাৰণৰ দ্বাৰা। সুস্থ দেহত সুস্থ মনৰ সৃষ্টি কৰে । সুস্থ মানসিকতা তেতিয়া গঢ়ি উঠে যেতিয়া শাৰিৰীক ভাৱে সুস্থ থাকিব পাৰে। এই উদ্দেশ্য আগত ৰাখি ২০১৫ চনৰ পৰা মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ডাঙৰীয়াৰ নেতৃত্বাধীন চৰকাৰে ২১জুন তাৰিখটো ৰাষ্ট্ৰীয় যোগ দিৱস হিচাপে পালন কৰি আহিছে। এইবেলি কামৰূপ জিলাৰ প্ৰশাসনৰ উদ্যোগত ২১ জুন ২০২৬ তাৰিখে ১২ তম যোগ দিৱসটো শুৱালকুছি বালিচৰত অৱস্থিত গান্ধীৰ মৈদামত অনুষ্ঠিত হয়। অনুস্থানটোত উপস্থিত থাকে অসমৰ ৰাজ্যপাল মাননীয় লক্ষ্মণ প্ৰসাদ আচাৰ্য, হাজো-শুৱালকুছিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাস ডাঙৰীয়া, ৰাজ্যপালৰ বিশেষ কৰ্মৰত বিষয়া বিচন লাল ডাঙৰীয়া, ভাৰতীয় জনতা পাৰ্টি শুৱালকুছি মণ্ডলৰ সভাপতি আৰু ১৬নংজিলা পৰিষদৰ সদস্য ধীৰাজ মহন্ত ডাঙৰীয়া প্ৰমুখ্যে প্ৰশাসনিক বিষয়া কৰ্মচাৰী, পাৰ্শ্বৱৰ্তী অঞ্চলৰ বিশিষ্ট ব্যক্তি, যোগ প্ৰশিক্ষক, সংবাদ কৰ্মী, ছাত্ৰ ছাত্ৰীৰ, মহিলা আৰু উদ্যোক্তা সমাজ। অনুষ্ঠানৰ আৰম্ভণিতে ৰাজ্যপালে মহাত্মা গান্ধীৰ প্ৰতি মুৰ্ত্তিত পুষ্পাঞ্জলী অৰ্পণ কৰে। ৰাষ্ট্ৰীয় গীত, সংগীত আৰু অসম সংগীত পৰিৱেশন কৰাৰ পিছত যোগ প্ৰশিক্ষকৰ নিৰ্দেশ মৰ্মে সকলোৱে যোগ, আৰু ব্যায়ামত ভাগ লয়। ইয়াৰ পিছত ৰাজ্যপাল মহোদয়ে 'পিএমশ্ৰী গাঁৱে-গাঁৱে যোগ মহা অভিযান আৰু আমাৰ মাটি -আমাৰ নায়ক' শীৰ্ষক অনুষ্ঠানটো ভাৰ্চুৱেলি শুভাৰম্ভ কৰে। এই অনুষ্ঠানত যোৰহাট, বঙাইগাঁও, শোণিতপুৰ, কোকৰাঝাৰ, কাছাৰ জিলা কেইখনে ভাগ লয়। ভাষণ প্ৰসংগত ৰাজ্যপাল গৰাকীয়ে প্ৰথমে শুৱালকুছিত মহাত্মা গান্ধীয়ে ১৯৪৬ চনৰ ৯ জানুৱাৰী তাৰিখে পদাৰ্পন কৰা সেই ঐতিহাসিক ঘটনা ৰাজি শ্ৰদ্ধাৰে সোঁৱৰে। যোগ মহা অভিযানৰ লক্ষ্য আৰু উদ্দেশ্যত কয়, সুস্থ শাৰিৰ থাকিলে এখন সুস্থ সমাজ গঢ়িব পাৰি, যোগ সাধনা শৰিৰ আৰু মন দুয়োটাৰে পৰিপুৰক। ইয়াৰ বাবে প্ৰতিখন গাঁৱৰ প্ৰতিটো পৰিয়ালৰ প্ৰতিজন ব্যক্তি যোগ সাধনাত ব্ৰতী হোৱাৰ প্ৰয়োজন! লগতে আমাৰ সমাজৰ যিসকল ব্যক্তিয়ে বিভিন্ন দিশত সেৱা তথা অৱদানৰ জৰিয়তে ৰাষ্ট্ৰৰ আত্মা মজবুত কৰি আহিছে তেওঁলোক আমাৰ বাবে একোজন নায়ক। তেওঁলোকৰ ত্যাগ আমাৰ প্ৰেৰণাৰ উৎস হওঁক! এইদৰেই বিভিন্ন উপদেশৰে ৰাইজক মোহিত কৰে। শেষত সকলোৱে সু-স্বাস্থ্য কামনা কৰি ভাষণৰ সামৰণি মাৰে।

# অসম আন্দোলনৰ অগ্ৰণী নেত্ৰী, সমাজকৰ্মী ৰেখা শৰ্মাৰ মৃত্যু



ৰঙিলী বাৰ্ত্তাসেৱা- জাতীয় চেতনাৰ উজ্জ্বল চানেকি, বিদুষী মহিলা তথা নগাঁও চহৰৰ আমোলাপট্টি-নাওবৈচা পথ নিৱাসী ৰেখা শৰ্মাৰ নিজা বাসগৃহত বুধবাৰে পুৱা মৃত্যু হয়। দীৰ্ঘদিন ধৰি অসুস্থ হৈ থকা প্ৰবীণ সমাজকৰ্মী তথা অসম আন্দোলনৰ নেত্ৰীগৰাকীৰ প্ৰায় ৯০ বছৰ বয়সত আমোলাপট্টিস্থিত বাসভৱনত মৃত্যু ঘটে । স্কুলীয়া জীৱনৰ পৰাই বিভিন্ন সামাজিক-সাংস্কৃতিক কাম-কাজৰ নেতৃত্ব দিয়া ৰেখা শৰ্মা অসম আন্দোলন তথা অসমৰ বিদেশী বিতাড়ন আন্দোলনৰ এগৰাকী সাহসী যোদ্ধা আছিল। বিভিন্ন প্ৰত্যাহ্বান নেওচি নগাঁৱত অসম আন্দোলনক সম্মুখৰ পৰা নেতৃত্ব দিছিল। সুদক্ষ মহিলা সংগঠকগৰাকীয়ে মহিলা সবলীকৰণৰ বাবে সংগ্ৰাম অব্যাহত ৰাখিছিল। স্বামী বিবেকানন্দৰ আদৰ্শৰে অনুপ্ৰাণিত, মানৱীয় প্ৰমূল্যবোধেৰে সমৃদ্ধ ৰেখা শৰ্মা এগৰাকী স্পষ্টবাদী আৰু সাহসী মহিলা নেত্ৰী আছিল। সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ নেতৃত্বত হোৱা অসম আন্দোলনৰ সময়ত ৰেখা শৰ্মাই সদৌ অসম মহিলা পৰিষদৰ সাধাৰণ সম্পাদিকা হিচাপে সমগ্ৰ অসমৰ সংগ্ৰামী মহিলাসকলক একত্ৰিত কৰি অসম আন্দোলনক শক্তিশালী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। ( নপৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ত সোনোৱাল কছাৰী সাহিত্য সভাৰ তিনি লেখকক সম্বৰ্ধনা




ৰঙিলী বাৰ্ত্তাসেৱা- বিগত বৰ্ষৰ দৰে এইবাৰো নিয়মীয়া কাৰ্যসূচী অনুসৰি সোনোৱাল কছাৰী সাহিত্য সভাই দিনযোৰা কাৰ্যসূচীৰে বিষ্ণুপ্ৰসাদ ৰাভা দিৱস উদ্যাপন কৰে ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া চাচনীস্থিত দীঘলীবিল উচ্চ মাধ্যমিক বিদ্যালয়ত। সংগঠনটোৰ ডিব্ৰুগড় জিলা সমিতি আৰু চাচনী শাখা তথা স্থানীয় ৰাইজৰ সহযোগত আয়োজিত এই দিৱসৰ মুকলি সভাত চাচনী অঞ্চলৰ অৱসৰী শিক্ষক তথা দহখনকৈ গ্ৰন্থৰ প্ৰণেতা নৰকান্ত শইকীয়া আৰু সোনোৱাল জনজাতিৰ কথিত ভাষাৰ বিশিষ্ট লেখিকা সূৰ্যকান্তি বড়া (হিড়িম্বা)ক অংগবস্ত্ৰ, গ্ৰন্থৰ টোপোলা, স্মাৰক আৰু মানপত্ৰৰে সন্মানিত কৰা হয়। ইয়াৰে ডিব্ৰু কলেজৰ গল্প প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ গল্পকাৰ, নৱপ্ৰজন্মৰ লেখক লোহিত মাণিকীয়াল সভাত অনুপস্থিত থাকে। সোনোৱাল কছাৰী সাহিত্য সভাৰ সভাপতি মোহন সোনোৱালৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত বিষ্ণুপ্ৰসাদ ৰাভৰ জীৱন-কৃতি আৰু সাম্প্ৰতিক সময়ত ইয়াৰ প্ৰাসংগিকতা আদি ভিন্ন দিশ সামৰি বক্তব্য আগবঢ়ায় নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থকা মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ডঃ বলিন সন্দিকৈ আৰু আমন্ত্ৰিত অতিথি তথা শিৱসাগৰ ছোৱালী ( নপৃষ্ঠাত চাওক)

# মানসিক স্বাস্থ্য আধুনিক যুগৰ এক ডাঙৰ প্ৰত্যাহ্বান



ডাঃ মৃণাল দাস,পাঠশালা

একবিংশ শতিকাৰ আধুনিক জীৱনশৈলীয়ে মানুহক অভূতপূৰ্ব সুবিধা, গতি আৰু সংযোগৰ সুযোগ দিছে। বিজ্ঞান আৰু প্ৰযুক্তিৰ অগ্ৰগতিয়ে জীৱনক সহজ, আৰামদায়ক আৰু অধিক উৎপাদনশীল কৰি তুলিছে। কিন্তু এই উন্নয়নৰ সমান্তৰালভাৱে এক নীৰৱ সংকটও বৃদ্ধি পাইছে-মানসিক অস্থিৰতা, উদ্বেগ, হতাশা আৰু নিঃসংগতা। আজিৰ মানুহ আগতকৈ অধিক ব্যস্ত, অধিক সংযুক্ত, কিন্তু অন্তৰৰ পৰা হয়তো অধিক অকলশৰীয়া। সামাজিক মাধ্যম, কৰ্পোৰেট প্ৰতিযোগিতা আৰু সফলতাৰ অবিৰাম দৌৰে মানুহক এক অন্তহীন চাপৰ মাজলৈ ঠেলি দিছে। জীৱনত শান্তি, সন্তুষ্টি আৰু মানসিক স্থিৰতাৰ স্থান ক্ৰমে সংকুচিত হৈ আহিছে। বাহ্যিক সফলতাৰ পিছত দৌৰিবলৈ গৈ বহুতে নিজৰ আভ্যন্তৰীণ সুখক উপেক্ষা কৰিছে। ডিজিটেল যুগে তথ্যৰ দুৱাৰ মুকলি কৰিলেও ইয়াৰ অপব্যৱহাৰে মানসিক স্বাস্থ্যৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছে। দিনটোৰ বৃহৎ অংশ মোবাইল ফোন, সামাজিক মাধ্যম আৰু আভাসী জগতৰ মাজতে কটোৱা হয়। একেখন ঘৰতে থাকিও বহু সময়ত পৰিয়ালৰ সদস্যসকল একেলগে কথা পতাৰ সলনি নিজ নিজ পৰ্দাত ব্যস্ত থাকে। এই দূৰত্বই নিঃসংগতা আৰু মানসিক শূন্যতাৰ জন্ম দিয়ে।

আধুনিক সমাজত তুলনাৰ সংস্কৃতিও এক গুৰুত্বপূৰ্ণ সমস্যা। সামাজিক মাধ্যমত দেখা নিখুঁত জীৱনৰ ছবিবোৰে বহু লোকক নিজৰ জীৱনক অপূৰ্ণ বুলি অনুভৱ কৰায়। আনৰ সফলতা, ভ্ৰমণ, বিলাসী জীৱন বা সুখৰ মুহূৰ্তসমূহৰ সৈতে নিজৰ বাস্তৱ জীৱনৰ তুলনা কৰি বহুতে হতাশা আৰু হীনমন্যতাত ভুগিবলৈ আৰম্ভ কৰে। অথচ এই ছবিবোৰ বাস্তৱৰ কেৱল এক অংশহে।

কৰ্মক্ষেত্ৰৰ অত্যধিক চাপো মানসিক স্বাস্থ্যৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান। সফলতাৰ নামত অধিক সময় কাম কৰা, বিশ্ৰামৰ অভাৱ, অনিশ্চিত চাকৰি আৰু ভৱিষ্যৎ সম্পৰ্কীয় উদ্বেগে মানসিক শক্তিক ক্ৰমে ক্ষয় কৰে। যেতিয়া মানুহে নিজৰ সুখ, পৰিয়াল আৰু স্বাস্থ্যক উপেক্ষা কৰি কেৱল লক্ষ্য তাকো তুলনাৰ পিছত দৌৰে, তেতিয়া জীৱনৰ ভাৰসাম্য নষ্ট হয়।

মানসিক সুস্থতা বজাই ৰাখিবলৈ আধুনিক জীৱনত কিছুমান সচেতন পৰিৱৰ্তনৰ অতি প্ৰয়োজন। নিয়মীয়া ব্যায়াম, পৰ্যাপ্ত টোপনি, পৰিয়ালৰ সৈতে সময় কটোৱা, সামাজিক মাধ্যমৰ সীমিত ব্যৱহাৰ আৰু ধ্যান-যোগৰ দৰে অভ্যাসে মানসিক চাপ হ্ৰাস কৰাত সহায় কৰে। ইয়াৰ উপৰিও নিজৰ অনুভূতি প্ৰকাশ কৰা আৰু প্ৰয়োজনত বিশেষজ্ঞৰ পৰামৰ্শ লোৱাটোও এক সুস্থ মানসিকতাৰ লক্ষণ। প্ৰযুক্তি আৰু উন্নয়ন নিশ্চয় মানৱ সভ্যতাৰ অমূল্য সম্পদ। কিন্তু ইয়াৰ মাজতো মানুহে নিজৰ মানসিক শান্তি, সামাজিক সম্পৰ্ক আৰু মানৱীয় মূল্যবোধক অটুট ৰাখিব লাগিব। কাৰণ সুস্থ সমাজ গঢ়াৰ মূল ভিত্তি কেৱল আৰ্থিক উন্নয়ন নহয়, মানসিকভাৱে সুস্থ আৰু সুখী মানুহো।

সেয়ে আধুনিকতাৰ সুবিধা গ্ৰহণ কৰাৰ লগতে মানসিক সুস্থতাকো সমান গুৰুত্ব দিয়াটো সময়ৰ দাবী। অন্যথা উন্নয়নৰ চকনৈয়াৰ আঁৰত মানসিক অস্থিৰতাৰ অন্ধকাৰ ক্ৰমে অধিক গভীৰ হৈ পৰিব। জীৱনৰ প্ৰকৃত সফলতা বাহ্যিক সাফল্যত নহয়, বৰঞ্চ এক সুস্থ মন, শান্ত অন্তৰ আৰু সুষম জীৱনশৈলীতহে নিহিত।

শেহতীয়া বছৰসমূহত যুৱ সমাজৰ মাজতো মানসিক স্বাস্থ্যজনিত সমস্যাৰ বৃদ্ধি এক গভীৰ চিন্তাৰ বিষয় হিচাপে পৰিগণিত হৈছে। গৱেষণাৰ তথ্য অনুসৰি, ক্ৰমাৎ অধিক সংখ্যক কিশোৰ-কিশোৰী আৰু যুৱকে হতাশা, উদ্বেগ তথা অন্যান্য মানসিক বিকাৰৰ লক্ষণ প্ৰকাশ কৰিছে, যাৰ ফলত তেওঁলোকৰ সামগ্ৰিক সুস্থতা আৰু জীৱনৰ মানদণ্ডত গুৰুতৰ প্ৰভাৱ পৰিছে। সামাজিক মাধ্যমৰ অত্যধিক ব্যৱহাৰ, শিক্ষাগত চাপ আৰু অৰ্থনৈতিক অনিশ্চয়তাৰ দৰে বহুতো কাৰকে এই প্ৰৱণতাক উৎসাহিত কৰিছে। একে সময়তে, এই সমস্যাসমূহৰ ফলপ্ৰসূ সমাধান বিচাৰি উলিওৱাৰ প্ৰয়োজনীয়তাও অধিক স্পষ্ট হৈ পৰিছে।

কাৰণসমূহঃ

সামাজিক মাধ্যমঃ বৰ্তমান সময়ত যুৱসকলে সামাজিক মাধ্যমত যথেষ্ট সময় অতিবাহিত কৰে। ইয়াৰ ফলত নিঃসংগতা, উদ্বেগ আৰু হতাশাৰ অনুভূতি বৃদ্ধি পাব পাৰে।

শিক্ষাগত চাপঃ বিদ্যালয় আৰু মহাবিদ্যালয়ত সফলতা লাভৰ বাবে যুৱসকলে ক্ৰমবৰ্ধমান শিক্ষাগত চাপৰ সন্মুখীন হয়, যাৰ ফলত মানসিক চাপ আৰু উদ্বেগৰ সৃষ্টি হয়।

পৰিয়াল আৰু সম্পৰ্কজনিত সমস্যাঃবিবাহ বিচ্ছেদ, পৰিয়ালকেন্দ্ৰিক সংঘাত আদি সমস্যাই যুৱসকলৰ মানসিক স্বাস্থ্যত গভীৰ প্ৰভাৱ পেলাব পাৰে। ইয়াৰ উপৰিও, প্ৰেমৰ সম্পৰ্ক ভংগ হোৱাৰ দৰে ঘটনাও মানসিক সমস্যাৰ সৃষ্টি কৰিব পাৰে।

আৰ্থিক চাপঃ শিক্ষাৰ ঋণ, চাকৰিৰ অনিশ্চয়তা বা সুলভ বাসস্থান লাভৰ অসুবিধাৰ বাবে যুৱসকলে আৰ্থিক চাপৰ সন্মুখীন হ'ব পাৰে।

মানসিক স্বাস্থ্য সেৱাৰ সীমিত প্ৰৱেশাধিকাৰঃ ব্যয়বহুল চিকিৎসা, সামাজিক কুসংস্কাৰ বা পৰ্যাপ্ত সেৱাৰ অভাৱৰ বাবে বহু যুৱকে মানসিক স্বাস্থ্য সেৱা লাভ কৰাত বাধাৰ সন্মুখীন হয়।

সমাধানসমূহঃ

শিক্ষা আৰু সচেতনতাঃ সচেতনতা বৃদ্ধি আৰু শিক্ষামূলক কাৰ্যসূচীয়ে যুৱসকল আৰু তেওঁলোকৰ পৰিয়ালক মানসিক সমস্যাৰ লক্ষণসমূহ চিনাক্ত কৰাত আৰু উপযুক্ত সহায় বিচৰাত সহায় কৰিব পাৰে।

প্ৰাৰম্ভিক হস্তক্ষেপঃ মানসিক সমস্যাসমূহৰ ক্ষেত্ৰত আৰম্ভণিতে ব্যৱস্থা গ্ৰহণ কৰাটো অত্যন্ত গুৰুত্বপূৰ্ণ। ইয়াৰ বাবে বিশ্বাসযোগ্য অভিভাৱক, শিক্ষক বা মানসিক স্বাস্থ্য বিশেষজ্ঞৰ সৈতে নিয়মীয়া আলোচনা উপযোগী হ'ব পাৰে।

সহায়কাৰী পৰিৱেশ সৃষ্টিঃ বিদ্যালয়, কৰ্মক্ষেত্ৰ আৰু সমাজত এক সহায়কাৰী আৰু ইতিবাচক পৰিৱেশ গঢ়ি তোলাৰ জৰিয়তে যুৱসকলে নিজকে মূল্যৱান আৰু সুৰক্ষিত অনুভৱ কৰিব পাৰে, যিয়ে উন্নত মানসিক স্বাস্থ্য নিশ্চিত কৰাত সহায় কৰে।

মানসিক স্বাস্থ্য সেৱাৰ সুবিধা বৃদ্ধিঃ পৰামৰ্শদান, থেৰাপী আৰু ঔষধৰ দৰে মানসিক স্বাস্থ্য সেৱাসমূহ অধিক সহজলভ্য কৰি তুলিলে যুৱসকলে প্ৰয়োজনীয় সহায় লাভ কৰিব পাৰিব।

ডিজিটেল ডিটক্সঃ সামাজিক মাধ্যম আৰু অন্যান্য ডিজিটেল প্ৰযুক্তিৰ পৰা কিছু সময়ৰ বাবে আঁতৰি থকাটো নিঃসংগতা আৰু উদ্বেগৰ অনুভূতি হ্ৰাস কৰাত সহায়ক হ'ব পাৰে।

সামাজিক সম্পৰ্ক শক্তিশালীকৰণঃ সুস্থ সামাজিক সম্পৰ্ক গঢ়ি তোলা আৰু বজাই ৰখাৰ জৰিয়তে নিঃসংগতা হ্ৰাস পায় আৰু মানসিক সুস্থতা বৃদ্ধি পায়।

যুৱসমাজৰ মাজত মানসিক স্বাস্থ্যজনিত সমস্যাৰ বৃদ্ধি এক জটিল বিষয়, যাৰ সমাধানৰ বাবে বহুমুখী পদক্ষেপৰ প্ৰয়োজন। সচেতনতা বৃদ্ধি, আৰম্ভণিতে সহায় আগবঢ়োৱা, সহায়কাৰী পৰিৱেশ সৃষ্টি কৰা, মানসিক স্বাস্থ্য সেৱাৰ সুবিধা বৃদ্ধি লগতে সামাজিক সম্পৰ্ক শক্তিশালী কৰাৰ জৰিয়তে আমি যুৱচামৰ জীৱনৰ প্ৰত্যাহ্বানসমূহ সফলতাৰে মোকাবিলা কৰিবলৈ আৰু সুস্থ মানসিক স্বাস্থ্য বজাই ৰাখিবলৈ সহায় কৰিব পাৰোঁ।


# সজাগ জনতা



শচীন্দ্ৰ কুমাৰ দাস, পলাশবাৰী

জনতা তুমি পগলা হ'লা ।
ভাবনাৰ মূল্য বুজিবলৈ আজি যেন পাহৰিলা।
ঘুণ পোক সদৃশ মলিনতাই ফোঁপোলা কৰিছে মনৰ আবেগবোৰক।
কোন তেওঁ লোক?
বুকুত ইমান সাহস বাঢ়িল কাৰ প্ৰৰোচনাত?
মানৱতাৰ চৰম অধিকাৰক বঞ্চিত কৰি
প্ৰতাৰণাৰ মায়াজালত সকলোকে বন্দী কৰি
মুক্ত আকাশত ভ্ৰমী কৰিছে যিহৰ ময়মতালী,
যাক লৈ কৰিছা দম্ভালি স্থায়ী জানো?
কলা তেজ ধাৰী নৰপিশাচৰ দৰে
আচৰণত অভ্যস্থ তেওঁলোক।
ক্ষমতাই মুৰত ধৰি সমাজ জীৱনত
কঙসৰ ৰূপ ধৰি জীৱনী সত্বাক উপলুঙা কৰি
আপোন গৰ্বৰ যি দপদপনি স্থায়ী জানো?
সজাগ হোৱা জনতা,
জানিও নজনাৰ যি যি মিছা ভাও দিছা
সময়ক এদিন হিচাপ দিব লাগিব নিশ্চয়।
স্ব অধিকাৰৰ স্বপ্ন ৰছা,
একাত্ম এনাজৰীৰে বান্ধ খাই থকা
সজাগ জনতা আজি নিস্তব্ধ কিয়?
উঠা ছাগা জাগ্ৰত হোৱা জনতা।
প্ৰয়োজনীয়তা নাই আজি বাকৰুদ্ধতাৰ,
প্ৰয়োজনীয়তা নাই কাৰোবাৰ বাহুবল,
ক্ষমতা বল, অৰ্থবল, বেআইনৰ ধমকনী গৰ্জনীৰে
পৰাভূত কৰিব পৰা ক্ষমতাৰ অপব্যৱহাৰক সহন কৰাৰ।
প্ৰয়োজনীয়তা নাই আজি কাৰোবাৰ
ভৰি চেলেকি অৰ্থৰ পাহাৰ গঢ়াৰ।
একাত্ম হোৱা, সজাগ হোৱা
বিপ্লৱী জনতা বিভ্ৰান্ত তুমি নহ'বা,
পগলা তুমি নহ'বা।

# বকুল ফুলৰ মালা



**মালবিকা দেৱী,শোণিতপুৰ, হুগ্ৰাজুলী**

বহুদিন হ'ল বকুলৰ মালা গাঁঠা নাই
বহুদিন হ'ল বকুল ফুল বুটলাও নাই।
মনত পৰে শৈশৱৰ বৰ্ষা ঋতুৰ কথা
ঘৰৰ সন্মুখত থকা বকুল জোপাৰ
তলসৰা বকুলৰ ফুল বুটলি আনি
ববচা বনত গাঁঠিছিলো বকুলৰ মালা।
তেতিয়াৰ সেই বকুলৰ মালাধাৰি
ফটো ফ্ৰেমতেই শুকাই মৰহি গ'ল
মনৰ আশাবোৰ মনতেই মাৰ গ'ল।
বহু আশাৰে আলফুলে গাঁঠি ৰখা
বকুলৰ মালাধাৰ শুকাই মৰহি গ'ল।
সেয়ে আজি বহু বৰ্ষা ঋতু পাৰ হৈ গ'ল
বকুল তললৈ দেখোন যোৱা হোৱা নাই
তলসৰা বকুলৰ ফুল বুটলি আনি
বহুদিন বকুল ফুলৰ মালা গাঁঠা নাই।


# জীৱন নদীৰ গাভৰু ঘাট

**উপাসনা নাথ**



জীৱন নদীৰ গাভৰু ঘাটত
সন্ধিয়া লাহে লাহে নামে
ঢৌৰ বুকুত সপোনবোৰে
নীৰৱ গান এটি থামে
কেতিয়াবা বতাহে দুখ আনে
কেতিয়াবা হাঁহিৰে পথ ভৰে
মানুহ তেনেই বৈ যায় চিৰদিন
সময়ৰ অবিৰাম ৰথত
গাভৰু ঘাটে শিকাই নীৰৱে
"হাৰি গ'লেও থম'কি নৰ'বা"
নদীৰ দৰে আগবাঢ়ি যাবা
আন্ধাৰতো পোহৰ বিচাৰিবা
জীৱন মানে মাথোঁ গন্তব্য নহয়
ই এক অন্তহীন যাত্ৰাৰ নাম
সুখ-দুখৰ মাজেৰে মানুহে যেন
লিখে নিজৰেই গাঁথা-কাম
গাভৰু ঘাটৰ নীৰৱ সন্ধিয়াই
শিকায় জীৱনৰ গভীৰ পাঠ
যি যায় সি উভতি নাহে
তথাপি যে আগুৱাই সময়ৰ ৰথ।

# দেউৰী হস্ততাঁত বস্ত্ৰই GI Tag লাভ কৰাৰ তাৎপৰ্য




**জ্যোতিপ্ৰসাদ দেউৰী, কিনাপথাৰ দেউৰী গাঁও, লখিমপুৰ**

দেউৰী হস্ততাঁত বস্ত্ৰই ভৌগোলিক সূচক (Geographical Indication - GI) Tag লাভ কৰাটো কেৱল এটা প্ৰশাসনিক স্বীকৃতি নহয়, ই সমগ্ৰ দেউৰী জনগোষ্ঠীৰ ইতিহাস, ঐতিহ্য, সংস্কৃতি আৰু আত্মপৰিচয়ৰ এক যুগান্তকাৰী স্বীকৃতি। যুগে যুগে দেউৰী মহিলাসকলে নিজ হাতে তাঁতশালত বোৱা বস্ত্ৰসমূহে ৰে সমাজখনৰ জীৱনধাৰা, নান্দনিকতা, বিশ্বাস আৰু সৃজনশীলতাক বহন কৰি আহিছে। GI Tag-এ সেই অমূল্য ঐতিহ্যক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত এক বিশেষ মৰ্যাদা প্ৰদান কৰিলে।

দেউৰী হস্ততাঁত শিল্প কেৱল জীৱিকাৰ মাধ্যম নহয়; ই দেউৰী সমাজৰ সাংস্কৃতিক অস্তিত্বৰ এক অবিচ্ছেদ্য অংশ। পৰম্পৰাগত নক্সা, ৰং, বয়ন কৌশল আৰু স্থানীয় জ্ঞানৰ সমন্বয়ে সৃষ্টি হোৱা এই বস্ত্ৰসমূহে দেউৰী জনগোষ্ঠীৰ স্বকীয় পৰিচয় প্ৰকাশ কৰে। GI Tag লাভৰ ফলত এই স্বকীয়তা আইনীভাৱে সুৰক্ষিত হ'ব আৰু আন কোনো ব্যক্তি বা প্ৰতিষ্ঠানে দেউৰী হস্ততাঁতৰ নাম ব্যৱহাৰ কৰি অনুকৰণ মূলক সামগ্ৰী বজাৰত উলিয়াব নোৱাৰিব। ইয়াৰ ফলত প্ৰকৃত শিল্পী আৰু শিপিনীসকলৰ অধিকাৰ সুৰক্ষিত হ'ব।

এই স্বীকৃতিয়ে দেউৰী সমাজৰ আৰ্থ-সামাজিক উন্নয়নৰ ক্ষেত্ৰতো নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিব। GI Tag যুক্ত সামগ্ৰীৰ বজাৰমূল্য সাধাৰণতে অধিক হয়, যাৰ ফলত দেউৰী শিপিনীসকলে নিজৰ পৰিশ্ৰমৰ প্ৰকৃত মূল্য লাভ কৰাৰ সুযোগ পাব। বিশেষকৈ গ্ৰামাঞ্চলৰ মহিলাসকল, যিসকলে পৰম্পৰাগতভাৱে বয়ন শিল্পৰ সৈতে জড়িত, তেওঁলোকৰ আৰ্থিক স্বাৱলম্বীতা বৃদ্ধি পাব। ইয়াৰ ফলত নতুন প্ৰজন্মও এই ঐতিহ্যবাহী শিল্পৰ প্ৰতি আকৃষ্ট হোৱাৰ সম্ভাৱনা বৃদ্ধি পাব।

দেউৰী হস্ততাঁত বস্ত্ৰৰ GI Tag লাভে অসমৰ সাংস্কৃতিক বৈচিত্ৰ্যকো সমৃদ্ধ

*(বাৰপৃষ্ঠাত চাওক)*

# চৰিত্ৰ গঠনত মাকৰ দায়িত্ব



**মমী মহন্ত, গুৱালকুছি**

শিশু হৈছে এটা কেঁচামাটিৰ দৰে-যি ৰূপে গঢ়া যায়, সি সেই ৰূপেই গঢ় লয়। এই গঢ়ন প্ৰক্ৰিয়াত মাকৰ দায়িত্ব আটাইতকৈ গুৰুত্বপূৰ্ণ। মাকেই শিশুৰ প্ৰথম শিক্ষক, প্ৰথম পথপ্ৰদৰ্শক আৰু প্ৰথম আদৰ্শ।

প্ৰথমতে, মাকে শিশুক সঠিক মূল্যবোধ শিকোৱা উচিত। সততা, শিষ্টাচাৰ, মৰম, সহানুভূতি আদি গুণবোৰ শিশুৰ মনত বপন কৰাটো মাকৰ দায়িত্ব। শিশুৱে মাকৰ আচৰণ দেখি শিকে, সেয়ে মাকে নিজে সৎ আৰু শিষ্ট আচৰণেৰে উদাহৰণ স্থাপন কৰিব লাগে।

দ্বিতীয়তে, মাকে শিশুৰ মানসিক আৰু আবেগিক বিকাশত গুৰুত্ব দিব লাগে। শিশুৰ কথাবোৰ মনোযোগে শুনা, তাৰ অনুভৱ বুজা আৰু সময়মতে মৰম আৰু সহায় আগবঢ়োৱা অতি প্ৰয়োজনীয়। ইয়াৰে ফলত শিশুৰ আত্মবিশ্বাস বৃদ্ধি পায় আৰু তেওঁ সুস্থ মনোভাৱৰ মানুহ হিচাপে গঢ় লৈ উঠে।

তৃতীয়তে, শৃংখলা আৰু দায়িত্ববোধ গঢ়ি তোলাটোও মাকৰ গুৰুত্বপূৰ্ণ কৰ্তব্য। শিশুক সৰুৰে পৰা নিয়ম মানি চলিবলৈ, সময়ৰ মূল্য বুজিবলৈ আৰু নিজৰ কাম নিজে কৰিবলৈ শিকোৱা উচিত।

চতুৰ্থতে, মাকে শিক্ষাৰ প্ৰতি আগ্ৰহ জগাই তুলিব লাগে। পঢ়াশুনাত সহায় কৰা, নতুন কথা জানিবলৈ উৎসাহ দিয়া আৰু সৃজনশীলতা বৃদ্ধি কৰা মাকৰ দায়িত্বৰ অংশ।

শেষত, মাকৰ মৰম আৰু যত্নেই শিশুৰ জীৱনৰ ভিত্তি। সঠিক দিশত পথ প্ৰদৰ্শন কৰিলে শিশুৱে এজন সৎ, দায়িত্বশীল আৰু সফল ব্যক্তি হিচাপে গঢ় লৈ উঠিব পাৰে।

সেয়ে ক'ব পাৰি যে, শিশুৰ উজ্জ্বল ভৱিষ্যৎ গঢ়াৰ ক্ষেত্ৰত মাকৰ দায়িত্ব অমূল্য আৰু অনন্য।

চুটি গল্প

# প্ৰেমৰ হত্যা



শচীন্দ্ৰ কুমাৰ দাস

ৰূপম বৰকটকী। বিশাল মনৰ গৰাকী তেওঁ। পেছাত এজন ব্যৱসায়ী। ওচৰ-চুবুৰীয়াত তেওঁৰ পৰিচয় খুবেই সুকীয়া। শান্ত- নম্ৰ বেছ ভদ্ৰ প্ৰকৃতিৰ ব্যক্তি তেওঁ। ক্ষুদ্ৰ পৰিয়াল- পত্নী আৰু দুটি ল'ৰা সন্তানৰ সৈতে তেওঁ সুখেৰে এখন ভদ্ৰ সমাজত বাস কৰি আছে। অঞ্চলস্থ মন্দিৰেই হওঁক বা ৰাজহুৱা অনুষ্ঠানত তেওঁৰ অৱদান অন্যতম।

ৰক্তিম শৰ্মা বৰকটকীৰ কলেজীয়া বন্ধু। ৰাজহুৱা মিটিং এখনত এদিন বৰকটকীয়ে শৰ্মাক লগ পাই তেওঁক মাত দিলে। এ-ৰাঃ তুমি ৰক্তিম শৰ্মা নহয়নে? সুন্দৰ-সুঠাম দেখনীয়াৰ শৰ্মাৰ আগৰ চেহেৰাৰ অৱনতি বহুখিনি হ'ল। ৰক্তিমে তেওঁৰ চমাযোৰ পিন্ধি লৈ হেঃ ৰূপম বৰকটকী দেখোন! কলেজ সামৰাৰ আজি ইমান বছৰৰ পিছত এনেকৈ লগ পাম বুলি ভবাই নাছিলোঁ হে!

আচলতে ৰক্তিম শৰ্মা আৰু ৰূপম বৰকটকী কলেজীয়া দিনৰ ভাল বন্ধু হয়। মিটিং শেষ কৰি দুয়োজনে ওচৰৰে এখন চাহ দোকানত সোমাল। দুয়োৰে মাজত পুৰণি দিনৰ ভাৱৰ আদান-প্ৰদান হ'ল। কথাত গম পোৱা গ'ল যে ৰক্তিম শৰ্মাই বিয়া নাপাতিলে। তেওঁ অসমীয়া কৃষ্টি-সংস্কৃতিৰ বস্তুবোৰ বিশ্বদৰবাৰত চিনাকি কৰাৰ মানসেৰে অসমৰ কৃষ্টি-সংস্কৃতিৰ লগত জড়িত সামগ্ৰীৰ ব্যৱসায় কৰে। ব্যৱসায়ৰ জৰিয়তে তেওঁ যথেষ্ট সন্মান লগতে উন্নতিও কৰিছে। কিন্তু বিবাহৰ প্ৰসংগত সোধোতে তেওঁ নিমাত হৈ ৰৈছিল যদিও তেওঁ মোক খুব মৰমো কৰে আৰু সন্মানো কৰে, সেয়েহে সেমেকা চকুৰে তেওঁ কৈ গ'ল- "শুনা ৰূপম, জীৱনত তিতা-মিঠা অভিজ্ঞতা বহুত হ'ল। সমাজৰ বান্ধোনক নেওচিব পৰা ক্ষমতা ভগৱানে মোক নিদিলে আৰু সেইবাবে মই তেওঁক আকোঁৱালি ল'ব নোৱাৰিলোঁ।"

ৰূপমঃ ৰক্তিম তুমি কি ক'ব বিচাৰিছা মই ধৰিব পৰা নাই?

ৰক্তিমঃ মই শেৱালীৰ কথা কৈছোঁ।

ৰূপমঃ শেৱালী! অ'... শেৱালীতো খুব ভাল, পাকৈত, দেখিবলৈও খুব ধুনীয়া আছিল। কলেজত তোমাৰ আৰু শেৱালীৰ কথাটো সকলোৱে আলোচনাও কৰিছিল। এই যে কালুৰাম গেলামাল দোকানীৰ ল'ৰাজন 'মনোজ', শেৱালীক চিঠি দিয়াৰ বাবেইতো দুয়োৰে মাজত কিমান ডাঙৰ যে কাজিয়া হৈছিল মনত আছেনে?

ৰক্তিমঃ মোৰ সকলো মনত আছে অ' ৰূপম। এই জনমত কিয়, জীৱনৰ প্ৰতিটো জনমতেই কিজানি মই শেৱালীক পাহৰিব নোৱাৰিম।

ৰূপমঃ তেন্তে তুমি শেৱালীক বিয়া নাপাতিলা কিয়? তোমালোকৰতো আৰ্থিক অৱস্থাও খুব ভাল। বংশীৰাম শৰ্মা মহাজনৰ একমাত্ৰ ল'ৰা তুমি। মাটি-বাৰি, ধন-সম্পত্তি অবাধ তোমালোকৰ।

ৰক্তিমঃ (হুমুনিয়াহ কাঢ়ি) মোৰ দেউতাই জীৱনত কেৱল ধন-সম্পত্তি, বংশমৰ্যাদা এইবিলাকতে গুৰুত্ব দিছিল। ঘৰৰ একমাত্ৰ ল'ৰা মই। মই কি বিচাৰো, মোৰ সপোন কি এবাৰো তেওঁ বিচাৰ নকৰিলে।

ৰূপমঃ সেইবিলাক বাদ দিয়া, শেৱালীৰ কথা কোৱা।

ৰক্তিমঃ শেৱালীৰ কথা কি ক'ম! তাইতো মোক পাগলৰ দৰে ভাল পাইছিল। কিন্তু দেউতাকৰ বাধ্যত তাই আনৰ লগত বিয়াত বহিল।

ৰূপমঃ কি? শেৱালী ইমান নিষ্ঠুৰনে?

ৰক্তিমঃ তেনেকৈ নক'বা ৰূপম। শেৱালী তেনেকুৱা নহয়। তাই এক পবিত্ৰ মনৰ, খুব অমায়িক ছোৱালী।

ৰূপমঃ তেনেহ'লে তাই তোমাৰ লগত কিয় এনেকুৱা কৰিলে?

ৰক্তিমঃ তুমিতো জানাই! মনোজে শেৱালীক পাবৰ বাবে কিমান চেষ্টা কৰিছিল। সেইবাবে শেৱালী আৰু মোৰ সম্পৰ্ক নষ্ট কৰাৰ বাবে শেৱালীৰ দেউতাকক আমাৰ প্ৰেমৰ কথা লগাই দিছিল।

ৰূপমঃ সেইটো ঠিকেই আছে। এদিন নহয় এদিন হ'লেওতো শেৱালী ঘৰত কথাটো জনাব লাগিলগৈ নিশ্চয়!

ৰক্তিমঃ তুমি যেনেকৈ ভাবিছা কথাবোৰ ঠিক সিমান সহজ নাছিল। শেৱালী মাক নোহোৱা ছোৱালী। সৰুতেই তাই মাকক হেৰুৱাইছিল। গতিকে দেউতাকে বহু কষ্ট কৰি তেওঁলোকৰ একমাত্ৰ মৰমৰ ছোৱালী শেৱালীক খুব মৰমেৰে ডাঙৰ-দীঘল কৰিছিল। কিন্তু সমাজত আমাৰ সম্পৰ্কৰ কথা আলোচনা হোৱা বাবে তেওঁ কথাটো সিমান ভাল পোৱা নাছিল।

ৰূপমঃ শেৱালীৰ দেউতাকে তোমালোকৰ সম্পৰ্কক মানি লোৱা নাছিল নেকি?

ৰক্তিমঃ আচলতে তেনেকুৱা নহয় ৰূপম। শেৱালীৰ দেউতাক ৰমেন হাজৰিকা এজন খুব ভদ্ৰ লোক। পেছাত যদিও তেওঁ চতুৰ্থ বৰ্গৰ চৰকাৰী কৰ্মচাৰী, তেওঁ এজন শিক্ষিত জনা-বুজা ব্যক্তি।

ৰূপমঃ তেতিয়াহ'লে তেওঁ অমান্তি হ'ল কিয়?

ৰক্তিমঃ তেওঁ প্ৰথম অৱস্থাত আমাৰ সম্পৰ্কক সন্মান জনাইছিল আৰু শেৱালীৰ কথাত বাধ্য হৈ আমাৰ ঘৰলৈ বিয়াৰ প্ৰস্তাৱ লৈও আহিছিল।

ৰূপমঃ মই বুজিব পৰা নাই- তেতিয়াহ'লে অসুবিধা ক'ত?

ৰক্তিমঃ আচলতে অসুবিধা শেৱালীৰ ঘৰৰ ফালৰ পৰা নহয়। মোৰ দেউতাই শেৱালী আৰু মোৰ বিয়াত সন্মতি দিয়া নাছিল। তেওঁ শেৱালীৰ দেউতাকক মোৰ সন্মুখতে অকথ্য, দুৰ্ব্যৱহাৰ কৰিছিল।

ৰূপমঃ মই বুজিব পৰা নাই। শেৱালীৰ পৰিয়ালটো বহুত ভাল লগতে শিক্ষিত। শেৱালীও এজনী ৰূপৱতী-গুণৱতী ছোৱালী, তেন্তে খুড়াৰ আপত্তি ক'ত?

ৰক্তিমঃ মোৰ দেউতাৰ আপত্তি শেৱালী নহয়ও ৰূপম। মোৰ দেউতাৰ আপত্তি হ'ল শেৱালীৰ বংশমৰ্যাদা। শেৱালী নমঃশূদ্ৰ বৰ্ণ জাতিৰ। তেওঁলোকৰ অতীজসকল মাছমৰীয়া আছিল।

ৰূপমঃ খুড়াদেউ ইমান শিক্ষিত হৈও বিচাৰ আৰু চিন্তাধাৰা এনেকুৱানে?

ৰক্তিমঃ কি ক'বা ৰূপম! আমাৰ বংশমৰ্যাদা ৰক্ষাৰ বাবে মোৰ নিজৰ দেউতাই মোৰ জীৱন ধ্বংস কৰিলে।

ৰূপমঃ (হুমুনিয়াহ কাঢ়ি) তুমি এনেকৈয়ে জীৱনটো শেষ কৰিব নালাগিছিল ৰক্তিম।

ৰক্তিমঃ দেউতাই মোৰ বিয়া পতাৰ বহুত চেষ্টা কৰিছিল যদিও মোৰ মনৰ পৰা শেৱালীক আঁতৰাব নোৱাৰিলে। শেৱালীক মই পাহৰিব নোৱাৰিলোঁ ৰূপম। দেউতাই শেষৰ কালত কৈছিল- মই মহাপাপ কৰিছোঁ। তোমাৰ প্ৰেমক হত্যা কৰি মই কিজানি নৰকতো স্থান নাপাম।

ৰূপমঃ খুড়াদেৱে মহা ভুল কৰিলে। শেৱালী কেনে আছে ৰক্তিম!

ৰক্তিমঃ শেৱালী বেংকত চাকৰি কৰা খুব ভদ্ৰ ল'ৰা এজনৰ লগত বিয়া হৈছিল। সিহঁতৰ এজনী কন্যা সন্তান আছে।

ৰূপমঃ শেৱালী ভালে থকা বুলি জানি ভাল লাগিল দিয়া ৰক্তিম।

ৰক্তিমঃ (সেমেকা চকুৰে) নিয়তি খুব নিষ্ঠুৰ অ' ৰূপম। ৰাতিপুৱা মৰ্ণিং ৱৰ্ক কৰিব যাওঁতে তীব্ৰবেগী ডাম্পাৰে মহতীয়াই তেওঁলোক শেষ কৰি পেলালে।

ৰূপমঃ (বেজাৰেৰে) দুৰ্ভাগ্যই এনেকুৱা খেল খেলিছে ৰক্তিম তোমাৰ লগত। শেৱালীৰ ছোৱালীজনী ভালে আছেনে?

ৰক্তিমঃ শেৱালীৰ মৃত্যুৰ পিছত ময়ো জীৱনটো শেষ কৰাৰ সিদ্ধান্ত লৈছিলোঁ। কিন্তু শেৱালীৰ ছোৱালীজনীক এবাৰ চোৱাৰ হেঁপাহে মোক জীয়াই ৰাখিছে।

ৰূপমঃ ছোৱালীজনী কিজানি এতিয়া বহুত ডাঙৰ হ'ল!

ৰক্তিমঃ উমঃ। তাই এতিয়া ডাক্তৰ হ'ল।

ৰূপমঃ তুমি লগ পোৱানে তাইক?

ৰক্তিমঃ (এটা উল্লাসৰ হাঁহিৰে সকলো বিষাদ যেন আঁতৰি গৈছে।) তাই মোৰ ছোৱালী। নাম তাইৰ ড' অনুস্মিতা শৰ্মা।

ৰূপমঃ মই বুজা নাই!

ৰক্তিমঃ শেৱালীৰ মৃত্যুৰ এবছৰ আগত শেৱালীৰ দেউতাক ঢুকাইছিল। শেৱালীৰ গিৰিয়েকৰ ঘৰখনে শেৱালীৰ ছোৱালীজনীক অনাথ আশ্ৰমত থ'ব বিচাৰিছিল। এই খবৰটো পাই আইনৰ প্ৰক্ৰিয়াৰে অনুস্মিতাক মোৰ জীয়ৰী কৰি ঘৰলৈ লৈ আহিলোঁ। তাই এতিয়া খুব ভাল ডাক্তৰ।

ৰূপমঃ অনুস্মিতা শৰ্মা Heart Specialist! অ' My God! তেওঁকতো মই লগ পাই থাকোঁ।

ৰক্তিমঃ উমঃ, তাই মোৰেই ছোৱালী।

তেনেতে অনুস্মিতাৰ ৰক্তিমলৈ ফোন আহিল- পাপা ক'ত তুমি? মেডিচিন লৈছানে? অনুস্মিতাৰ ফোনত ৰক্তিমৰ মুখত হাঁহি বিৰঙনী দেখি আনন্দত হিয়া জুৰ পৰি গ'ল।

সঁচাকৈয়ে ৰক্তিম শৰ্মা এজন মহান ব্যক্তি। তেওঁ বহিৰা জগতত যিমানেই প্ৰসিদ্ধ তেওঁৰ ব্যক্তিত্ব বহু হাজাৰ গুণেই প্ৰসিদ্ধ। ইয়াৰ পিছত দুয়োজনে ইজনে আনজনৰ ফোন নম্বৰ ল'লে। বহুত দিনৰ পিছত দুয়ো বন্ধুৰ মিলনে দুয়োকে এক নষ্টালজিক আমোদ দিলে।

শেষত আকৌ লগ পোৱাৰ হেঁপাহেৰে দুয়োজনে ঘৰমুৱা হ'ল।

# চেনীৰামৰ ভাওনা



শৈলেন কুমাৰ, মিৰ্জা

ইয়াক মাৰি, তাক খাই,
কেৱল ঘৰৰ ভঁৰাল ভৰাই,
চেনীৰামৰ চলাহি কথাত,
ভোল গৈ জনতা পৰিল লেঠাত।
ৰাজনীতি নে সমাজনীতি,
সবৰে দেখোন একেই ৰীতি,
কোন সঁচা আৰু কোন মিছা,
ভাবি ভাবি জনতা হ'ল দিশহাৰা।
যোগ্যজনে পিছে বহি আঙুলিয়াই,
অযোগ্যই টকাৰ পাহাৰ বনাই,
হিতাধিকাৰীয়ে ফ্ৰী আঁচনিলৈ বাট চায়,
বুদ্ধিজীৱীয়ে বহি চাহৰ কাপৰ জুতি লয়।
চেনীৰামৰ হাঁহিটো বৰ মৰম লগা,
ভোট লৈ তেওঁ দিলে সকলোকে ৰাম ঠগা,
জনতা আধা মৰা হৈ বহি ৰ'ল,
ৰাজনীতিৰ নামত দেশখন দেখোন সৰ্বনাশ হ'ল!

# যিমানেই পলিয়েষ্টাৰ

ল'ৰা-ছোৱালীৰ একো অসুবিধা হ'ব নালাগে। চিকিৎসকে ৭০ শতাংশ পলিয়েষ্টাৰ থকাটো হানিকাৰক বুলি উল্লেখ কৰাৰ কথা কোৱাত তেওঁ নিজেই এজন চিকিৎসক, গতিকে সকলো জানে বুলি মন্তব্য কৰে। যিমানেই পলিয়েষ্টাৰ কমাই দিয়া হ'ব সিমানেই পুঁজি বেছি লাগিব বুলি উল্লেখ কৰি এতিয়া সিমান বাজেট নাই বুলি মন্তব্য কৰে মন্ত্ৰীগৰাকীয়ে। ইপিনে মহাবিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ বিনামূলীয়া নামভৰ্তিৰ বাবদ চৰকাৰে যি দহ শতাংশ ধন এতিয়াও দিবলৈ বাকী আছে সেয়া বাজেট অধিৱেশনৰ পিছতে মোকলাই দিয়াৰ আশ্বাস দিয়ে মন্ত্ৰীগৰাকীয়ে। এই নৱগঠিত শিৱসাগৰ বিশ্ববিদ্যালয়খনৰ ধাৰাবাহিক প্ৰগতি প্ৰত্যক্ষ কৰাটো উৎসাহজনক বুলি মন্তব্য কৰে। ছাত্ৰ-ছাত্ৰীসকলক উন্নত সুযোগ প্ৰদান কৰাৰ স্বাৰ্থত শৈক্ষিক মান সবলীকৰণ আৰু আন্তঃগাঁথনি সম্প্ৰসাৰণৰ দিশত উপাচাৰ্য, পঞ্জীয়ক, অধ্যাপক শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীবৃন্দই চলোৱা প্ৰচেষ্টাৰ শলাগ লয় শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে।

# অৱশেষত অপাৰেচন

সেনাৰ পাঁচগৰাকী সদস্য আছিল চুবেদাৰ মেজৰ পৱন কুমাৰ, ৰাইফল মেন সুনীল কুমাৰ, লেন্স নায়ক দীনেশ কুমাৰ, অগ্নিবীৰ মুড মুৰলী নায়ক আৰু হাবিলদাৰ সুনীল কুমাৰ সিং। ষষ্ঠগৰাকী শ্বহীদৰ নাম সুৰেন্দ্ৰ কুমাৰ। তেওঁ আছিল ভাৰতীয় বিমান বাহিনীৰ ছাৰ্জেন্ট। এই নামসমূহ ৱেবছাইটৰ ২০২৫ শাখাৰ অন্তৰ্গত থ্ৰী-ডি বালত দেখা গৈছে। দেশৰ সেৱাত প্ৰাণবলি দিয়া আন শ্বহীদসকলৰ নামো তাত দেখা গৈছে। প্ৰথমবাৰৰ বাবে অপাৰেচন সিন্দুৰত শ্বহীদ হোৱাসকলৰ নাম প্ৰকাশ কৰিলে কেন্দ্ৰীয় চৰকাৰে। যোৱা মে' মাহত ভাৰত-পাকিস্তানৰ মাজত যি চাৰিদিনীয়া সংঘাত সৃষ্টি হৈছিল তাত প্ৰাণ হেৰুওৱা দুজনক মৰণোত্তৰভাৱে বীৰৰ সন্মান প্ৰদান কৰা হৈছে। ৰাইফল মেন সুনীলক দিয়া হৈছে 'বীৰ চক্ৰ' সন্মান। যোৱা ৮ জুনত ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ হাতৰ পৰা এই সন্মান গ্ৰহণ কৰে শ্বহীদগৰাকীৰ পিতৃ-মাতৃয়ে। ছাৰ্জেন্ট সুৰেন্দ্ৰক দিয়া হৈছে 'বায়ু সেনা পদক'। কেন্দ্ৰীয় চৰকাৰে জনোৱা মতে সামৰিক ঐতিহ্য মানি নতুন দিল্লীৰ ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰকৰ দেৱালত এই ছয় বীৰ শ্বহীদৰ নাম খোদাই কৰা হ'ব।

# নলবাৰীত একেলগে

উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ উজ্জ্বল কলিতা বুধবাৰে নিশা ১১ বজাৰ পৰা আৰু বালিতাৰা হাইস্কুলৰ দশম শ্ৰেণীত অধ্যয়ন কৰি থকা কিশোৰীগৰাকী নিশা ১২ বজাৰ পৰা সন্ধানহীন হৈ আছিল। বৃহস্পতিবাৰে পুৱা পথাৰত গৰু এৰাল দিবলৈ অহা এজন লোকে প্ৰেমিক যুগলক চিপ লোৱা অৱস্থাত উদ্ধাৰ কৰে। তাৰ পিছতে গাঁওখনৰ লগতে পৰিয়াল দুটাৰ মাজত হুৱাদুৱা লাগে। স্থানীয় লোকৰ মতে এয়া প্ৰেমজনিত কাৰণতে আত্মহত্যা কৰা বুলি জানিব দিয়ে। ঘটনাস্থলীত ঘগ্ৰাপাৰ আৰক্ষী থানাৰ অন্তৰ্গত ধমধমা আৰক্ষী চকীৰ আৰক্ষী বাহিনী উপস্থিত হৈ তদন্ত আৰম্ভ কৰি মৃতদেহ দুটা মৰণোত্তৰ পৰীক্ষাৰ বাবে চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

# ডিব্ৰুগড়ত সোনোৱাল

মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° মেদিনী হাজৰিকাই। সভাৰ প্ৰকাশন সচিব ৰতন হাজৰিকাই আঁতধৰা সভাখনিৰ উদ্দেশ্য আৰু সাহিত্য সভাৰ কাম-কাজ সম্বলিত বিষয়ক বক্তব্য আগবঢ়ায় মুখ্য সম্পাদক মৃদুল সোনোৱালে। অভ্যৰ্থনা সমিতিৰ সভাপতি শৰৎ সোনোৱালে আদৰণী ভাষণ প্ৰদান কৰা সভাত সোনোৱাল কছাৰী জাতীয় পৰিষদৰ প্ৰধান সচিব চন্দন সোনোৱাল, সোনোৱাল কছাৰী কালচাৰেল ছ'চাইটিৰ মুখ্য সচিব ভক্তিপ্ৰসাদ সোনোৱাল, চাচনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ ভৱেশ সোনোৱাল, নাহৰকটীয়া কলেজৰ অধ্যাপক ড° পৰেশ খনিকৰ, সোনোৱাল কছাৰী সাহিত্য সভাৰ উপ-সভাপতি ড° লব ৰাম সোনোৱাল, মণিদীপা লালোৱাৰী, সুমন্ত বড়া, সম্পাদক ড° তুলসী সোনোৱাল, প্ৰশান্ত বড়া, সাংস্কৃতিক সম্পাদক মহানন্দ সোনোৱালৰ লগতে কেন্দ্ৰীয় সমিতিৰ সদস্যবৃন্দ, স্থানীয় বহুজন বিশিষ্ট ব্যক্তিসহ তিনি শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। মুকলি সভাৰ পূৰ্বে ৰাভাৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাৰ্ঘ্য অৰ্পণ কৰে সভাপতি মোহন সোনোৱাল আৰু জিলা সমিতিৰ সভাপতি দিব্য সোনোৱালে। শিক্ষাৰ্থীৰ মাজত আয়োজন কৰা চিত্ৰাংকন, বিষ্ণু ৰাভা সম্পৰ্কীয় বক্তৃতা আৰু বিষ্ণুৰাভা সংগীত গায়ন প্ৰতিযোগিতা মুকলি কৰে দীঘলীবিল উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক জটিল নাহৰডেকাই। লগতে শিক্ষাৰ্থীসকলক উদ্দেশ্যি এক সাৰুৱা বক্তব্য আগবঢ়ায় সভাৰ উপসভাপতি ড° লব ৰাম সোনোৱালে।

# দুটাকৈ বিধ্বংসী বৰভূঁইকঁপত

অনুভূত হয় বুলি কোৱা হৈছে। ভূঁইকঁপৰ জোকাৰণিত ৰাজধানী কাৰাকাছৰ বহু অট্টালিকা পেণ্ডুলামৰ দৰে দুলিবলৈ ধৰে। আতংকত মানুহৰ মাজত হুৱাদুৱা লাগে। ঠায়ে ঠায়ে তাচপাতৰ দৰে মুহূৰ্ততে খহি পৰে প্ৰকাণ্ড প্ৰকাণ্ড অট্টালিকা। ধ্বংসস্তূপৰ ফলত অৱৰুদ্ধ হৈ পৰে একাধিক ৰাস্তা। যুটীয়া ভূঁইকপৰ পিছত কাৰাকাছৰ বহু এলেকাত বিদ্যুৎ বিচ্ছিন্ন হৈ পৰে। ভাগি পৰে ম'বাইল ফোনৰ টাৱাৰো। ফলত ব্যাহত হৈ পৰে যোগাযোগ ব্যৱস্থা। যুদ্ধকালীন তৎপৰতাৰে চলে উদ্ধাৰকাৰ্য। ভয়াৱহ এনে পৰিস্থিতিত জনসাধাৰণক শান্ত আৰু সংযত হৈ থকাৰ লগতে ঐক্য বোজাই ৰখাৰ আহ্বান জনায় ভেনিজুৱেলাৰ ভাৰপ্ৰাপ্ত ৰাষ্ট্ৰপতি ডেলছি ৰড্ৰিগেজে। এই যুটীয়া ভূঁইকঁপত আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হয় ভেনিজুৱেলাৰ ৰাজধানী কাৰাকাছ আৰু বন্দৰ চহৰ লা গুৱাইৰাছ। ৰানৱে' ভাগি ভিতৰলৈ সোমাই যোৱাত আপাততঃ ভেনিজুৱেলাৰ মূল বিমানবন্দৰত বিমানৰ চলাচল বন্ধ ৰখা হৈছে। এই বিপৰ্যয়ৰ পিছতে জৰুৰীকালীন অৱস্থা ঘোষণা কৰে ভেনিজুৱেলাৰ প্ৰশাসনে। দেশখনৰ অন্তৰ্বৰ্তী ৰাষ্ট্ৰপতি ডেলছিয়ে দেশবাসীক উদ্দেশ্যি দিয়া ভাষণত সকলোকে শান্ত হৈ থকাৰ আবেদন জনায়। এই ভূঁইকপত যিসকল লোকৰ মৃত্যু হৈছে তেওঁলোকৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে তেওঁ। আহতসকলক চিকিৎসালয়লৈ লৈ যোৱাৰ বাবে দেশখনৰ সকলো স্বাস্থ্যকৰ্মীকে অনুৰোধ জনোৱা হৈছে। ভেনিজুৱেলাৰ শিক্ষানুষ্ঠানসমূহ বন্ধ কৰি দিয়া হৈছে। এই প্ৰাকৃতিক দুৰ্যোগত প্ৰাথমিকভাৱে মৃতকৰ সংখ্যা এই পৰ্যন্ত ১৬৪ বুলি চৰকাৰীভাৱে কোৱা হৈছে যদিও মাৰ্কিন বিজ্ঞানীসকলে আশংকা কৰা মতে, এই প্ৰলয়ংকৰী প্ৰাকৃতিক দুৰ্যোগত লক্ষাধিক লোকৰ মৃত্যু হ'ব পাৰে। এই বৰভূঁইকঁপত সহস্ৰাধিক লোক আহত হোৱা বুলিও চৰকাৰী তথ্যত কোৱা হৈছে। ইতিমধ্যে ভেনিজুৱেলালৈ উদ্ধাৰকাৰী দল পঠিয়াইছে আমেৰিকাই। এই দুৰ্দিনত দক্ষিণ আমেৰিকাৰ এই দেশখনৰ ওচৰত থকাৰ বাৰ্তা দিছে মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে।

# অৰুণাচলত প্ৰকৃতিৰ তাণ্ডৱ

প্ৰকল্প এলেকাত প্ৰবল বৰষুণৰ ফলত সৃষ্টি হোৱা আকস্মিক বান আৰু ভূমিস্খলনত নিম্নভূমি প্লাৱিত হোৱাৰ লগতে পুছাৰ নীপকো কলনীৰ ১৮টাকৈ বাসগৃহ ধ্বংসস্তূপত পৰিণত হৈ বানত উটি যায়। বিধ্বংসী ডাৱৰ বিস্ফোৰণৰ ফলত তিনিজন লোক এই পৰ্যন্ত নিখোজ হৈ থকাৰ তথ্য পোহৰলৈ আহিছে। এই নিৰুদ্দিষ্টসকলৰ মাজত অসমৰো এজন ব্যক্তি থকা বুলি তথ্যত প্ৰকাশ। ইয়াৰ লগতে ৰাষ্ট্ৰীয় ঘাইপথত হোৱা ভূমিস্খলনে যান-বাহনৰ চলাচলত ব্যাঘাত জন্মোৱাৰ লগতে কেইবাজনো লোক এই মুহূৰ্তত আবদ্ধ হৈ আছে বুলি এজন বিষয়াই জনায়। সমগ্ৰ ঘটনা সন্দৰ্ভত অৰুণাচল প্ৰদেশৰ কেয়ী পানয়োৰ জিলাৰ উপায়ুক্ত শ্বেতা নাগৰকোটি মেহতাই জনোৱা মতে একাধিক স্থানত ভূমিস্খলন হোৱাত নীপকোৰ প্ৰভাৱিত অঞ্চললৈ য়াজালী আৰু হুজ-পুতিন দুয়োফালৰ পৰাই যাতায়াত সম্পূৰ্ণৰূপে বন্ধ হৈ পৰিছে। আনহাতে অৰুণাচল প্ৰদেশৰ দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ সচিব ডানি চলুৱে জনোৱা মতে, য়াজালী অঞ্চলৰ অন্তৰ্গত নীপকো প্ৰকল্পৰ কলনীৰ নিকটৱৰ্তী এলেকাত ডাৱৰ বিস্ফোৰণৰ ফলত সৃষ্টি হোৱা আকস্মিক বানত নীপকোৰ এখন ৰিটেইনিং ৱাল উটি যায় আৰু তাৰ পৰিণতিত সৃষ্টি হোৱা বানে চকুৰ সন্মুখতে নীপকো কলনীৰ ঘৰ-দুৱাৰ, ৰাস্তা-ঘাট চকুৰ সন্মুখতে উটুৱাই নিয়ে। প্ৰকল্পস্থলীৰ সমীপত প্ৰলয়ংকৰী বান, বোকা-পানীৰ ধলে টাঁহি-মুহি উটুৱাই নিয়ে ঘৰ-দুৱাৰ, বাট-পথ। আকস্মিক বানত জিলাখনৰ হুজ, পুতিন আদি এলেকাত ভূমিস্খলনৰ সৃষ্টি হয়। ফলত এলেকাটোলৈ য়াজালী আৰু হুজ, পুতিন দুয়োফালৰ পৰাই যাতায়াত সম্পূৰ্ণৰূপে বন্ধ হৈ পৰে। পুতিন আৰু পুছাৰ মাজত আবদ্ধ হৈ থকা এজন ভূতত্ত্ববিদক উদ্ধাৰৰ বাবে প্ৰশাসনে ব্যৱস্থা গ্ৰহণ কৰিছে। দুৰ্যোগকবলিত এলেকাত প্ৰশাসনে উদ্ধাৰকাৰী বাহিনী নিয়োগ কৰিছে। ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন বিভাগৰ লোক দুৰ্গতস্থলীলৈ ৰাওনা হৈছে। ডাৱৰ বিস্ফোৰণত সৃষ্টি হোৱা পৰিস্থিতি মোকাবিলাৰ বাবে প্ৰাক্তন সেনা জোৱানকো কামত লগোৱা হৈছে। প্ৰথমে এগৰাকী মহিলা নিখোজ হোৱাৰ খবৰ পোৱা গৈছিল যদিও শেহতীয়া তথ্য অনুসৰি তিনিজন লোকৰ সন্ধান পোৱা হোৱা নাই। প্ৰকল্পস্থলীৰ হেলিপেড ক্ষতিগ্ৰস্ত হোৱাৰ লগতে পথ যোগাযোগ সম্পূৰ্ণৰূপে বিচ্ছিন্ন হৈ পৰাত উদ্ধাৰ অভিযান গুৰুতৰভাৱে ব্যাহত হৈছে। প্ৰশাসনে হাই এলাৰ্ট জাৰি কৰাৰ লগতে বান প্ৰভাৱিত এলেকাৰ পৰা বাসিন্দাসকলক নিৰাপদ স্থানলৈ স্থানান্তৰিত কৰিছে। পথ যোগাযোগ বিচ্ছিন্ন হৈ থকাৰ লগতে জিলা উপায়ুক্তকে ধৰি বিষয়াসকল এতিয়াও ঘটনাস্থলীলৈ যাব পৰা নাই। সতৰ্কতামূলক ব্যৱস্থা হিচাপে নীপকোৱে সাময়িকভাৱে নিজৰ শক্তিকেন্দ্ৰ বন্ধ কৰি দিছে আৰু বান্ধৰ পৰা নিয়ন্ত্ৰিত পানী মুকলি কৰি দিছে। ৰঙানদী জলবিদ্যুৎ প্ৰকল্পস্থলীত সৃষ্টি হোৱা এনে দুৰ্যোগৰ কাৰণে প্ৰকল্পৰ গেট খুলি দিয়াত নীপকো কলনীৰ ভিতৰত আৰু ইয়াৰ আশে-পাশে থকা নিম্নভূমিৰ আৱাসিক অঞ্চলসমূহত আকস্মিক বানে ভয়ংকৰ ৰূপ ধাৰণ কৰি অকস্মাৎ ভয়ংকৰ পৰিৱেশৰ সৃষ্টি কৰে।

# অসম আন্দোলনৰ অগ্ৰণী নেত্ৰী

বিজেপিৰ লগত জড়িত ৰেখা শৰ্মাই নগাঁও জিলাত বিজেপিক প্ৰতিষ্ঠা কৰাত সবল ভূমিকা গ্ৰহণ কৰিছিল। উল্লেখ্য যে ১৯৯৬ চনত তেওঁ বিজেপিৰ পৰা নগাঁও সংসদীয় সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিছিল। সেইবাৰ ৰেখা শৰ্মা বিজেপিৰ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথম মহিলা প্ৰাৰ্থী আছিল। তেওঁ বিজেপিৰ মাগদৰ্শক হিচাপে পৰিচিত অটল বিহাৰী বাজপেয়ী, লালকৃষ্ণ আদৱানি, মুৰুলী মনোহৰ যোশী, কবীন্দ্ৰ পুৰকায়স্থ আদিৰ দৰে বৰেণ্য ৰাষ্ট্ৰীয় নেতাৰ সান্নিধ্য লাভ কৰিছিল। এগৰাকী সুবক্তা আৰু সুলেখিকা হিচাপে পৰিচিত ৰেখা শৰ্মাই সমগ্ৰ জীৱন কঠোৰ সাধনাৰে পাঁচখন মূল্যৱান গ্ৰন্থ ৰচনা কৰি অসমীয়া ভাষা-সাহিত্যিলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই গৈছে। সমকালীন সময়ৰ ঘটনাপ্ৰৱাহ তেওঁৰ গ্ৰন্থত সাৱলীলভাৱে উপস্থাপন কৰি মানুহৰ অধিকাৰৰ হকে মতপোষণ কৰিছে। তেওঁৰ গ্ৰন্থসমূহ হ'ল- 'স্মৃতিৰ জলঙাৰে', 'সত্যমেৱ জয়তে', 'একালৰ বৃন্দাবন একালত পৰে ছন', 'মোৰ ডাক টোপোলাৰ মাজেৰে অতীত আৰু বৰ্তমান' আৰু 'অসম ইতিহাসৰ এক দস্তাবেজ'। এইগৰাকী বিদুষী আৰু সাহসী মহিলাৰ মৃত্যুত সমগ্ৰ নগাঁও জিলাত শোকৰ ছাঁ পৰিছে। তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে অগণন গুণমুগ্ধ তেওঁৰ বাসগৃহত উপস্থিত হৈ তেওঁৰ প্ৰতি শেষ শ্ৰদ্ধা নিবেদন কৰে। মৃত্যুৰ সময়ত তেওঁ চাৰি পুত্ৰ-বোৱাৰী, নাতি-নাতিনীসহ বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ গৈছে।

# পুশ্ববেকক লৈ শ্ৰীভূমিৰ

বিজিবিয়ে কাৰ্যতঃ বিএছএফক সকীয়নি প্ৰদান কৰে। অকল বিজিবিয়েই নহয়, এইক্ষেত্ৰত সহযোগিতা কৰে সীমান্তৰ সিপাৰৰ বাংলাদেশী নাগৰিকেও। শ শ বাংলাদেশীয়ে হাতে হাতে দা, যাঠী-জোং, বাঁহ আদি লৈ সীমান্তলৈ ওলাই আহি পুশ্ববেকৰ বিৰুদ্ধে হুংকাৰ দিয়ে। ইয়াৰ সমান্তৰালভাৱে পুশ্ববেক কৰিলে বিএছএফক গুলীওৱাৰো ভাবুকি দিয়ে বিজিবিয়ে। বিজিবিৰ নিউ পাল্লাথল কেম্পস্থিত ৫২নং বেটেলিয়নৰ তৰফৰ পৰা মাইকযোগে বিএছএফক সকীয়াই দিয়ে যে কোনোধৰণৰ পুশ্ববেক মানি লোৱা নহয়। পুশ্ববেক কৰিবলৈ যোৱা বিএছএফৰ বিষয়া-জোৱানসকলক সীমান্তৰ পৰা আঁতৰি যাবলৈ সকীয়াই দিয়ে। অন্যথা গুলীয়াবলৈ বাধ্য হ'ব বুলি মাইকযোগে ঘোষণা কৰে বিজিবিয়ে। ইয়াক কেন্দ্ৰ কৰি শ্ৰীভূমি জিলা সংলগ্ন ভাৰত-বাংলাদেশ সীমান্তত শুকুৰবাৰৰ পৰা উত্তেজনা অব্যাহত আছে। সামাজিক মাধ্যমত ভাইৰেল হোৱা এটা ভিডিঅ'ত পৰিলক্ষিত হোৱা অনুসৰি বাংলাদেশৰ মৌলবী বজাৰ জিলাৰ বড়লেখা সীমান্তৰ দিশৰ পৰা মাইকযোগে বিএছএফক উদ্দেশ্যি বাৰম্বাৰ সতৰ্কবাণী দিয়ে বিজিবিয়ে। ভাইৰেল ভিডিঅ'টোত বাংলাতে কোৱা হৈছে যে সীমান্ত পাৰ কৰাই ভাৰতৰ দিশৰ পৰা কোনো লোকক পঠিওৱাৰ চেষ্টা কৰাটো মানি লোৱা নহ'ব। আমি বাৰম্বাৰ সতৰ্ক কৰি দিছোঁ- পুশ্ববেক নকৰিব। যদি পুশ্ববেক কৰা হয়, তেন্তে আমি গুলী চলাবলৈ বাধ্য হ'ম। আপোনালোকে যিসকলক লৈ আহিছে, তেওঁলোকক ভাৰতলৈ ওভতাই নিয়ক। ইয়াৰ পিছতো যদি পুশ্ববেক কৰা হয়, তেতিয়াহ'লে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। স্থানীয় জনসাধাৰণেও গঢ়ি তুলিব প্ৰতিৰোধ। এনে ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হোৱাৰ লগে লগে শ্ৰীভূমি জিলাৰ সীমান্তৱৰ্তী গাঁওসমূহত তীব্ৰ উত্তেজনাৰ সৃষ্টি হৈছে। স্থানীয় একাংশ বাসিন্দাই দাবী কৰা মতে, কেৱল ভিডিঅ'ই নহয়, সীমান্তৰ সিপাৰৰ পৰা একাধিকবাৰ মাইকযোগে এনেধৰণৰ ঘোষণা কৰাৰ লগতে ছাইৰেনৰ শব্দ শুনা গৈছিল।

# ৬ ঘণ্টাৰ যাত্ৰা এতিয়া

মাত্ৰ ২০ মিনিটত। গহপুৰ-নুমলীগড় সংযোগী সুৰংগ কেৱল এক অত্যাধুনিক আন্তঃগাঁথনি প্ৰকল্প নহয়, ই হৈছে উত্তৰ-পূবৰ সংযোগ, প্ৰগতি আৰু ৰাষ্ট্ৰীয় সুৰক্ষাক নতুন গতি প্ৰদান কৰা এক যুগান্তকাৰী পদক্ষেপ। এই অভিযান্ত্ৰিক পদক্ষেপে যাতায়াত অধিক সহজ আৰু দ্ৰুত কৰাৰ লগতে সমগ্ৰ অঞ্চলটোক অধিক ওচৰ চপাই আনিব। উল্লেখ্য যে বৰ্তমান গহপুৰ আৰু নুমলীগড়ৰ দূৰত্ব প্ৰায় ২৪০ কিলোমিটাৰ। এই দূৰত্ব অতিক্ৰম কৰিবলৈ প্ৰয়োজন হয় প্ৰায় ৬ ঘণ্টাৰ। কিন্তু সুৰংগ নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ পিছত পথৰ দূৰত্ব ৩৪ কিলোমিটাৰলৈ হ্ৰাস পাব আৰু ৬ ঘণ্টাৰ পৰা ২০ মিনিটলৈ হ্ৰাস পাব যাতায়াতৰ সময়। লক্ষণীয়ভাৱে এইটোৱেই হ'ব দেশৰ প্ৰথমটো আৰু বিশ্বৰ দ্বিতীয়টো ৰে'ল-ৰোড সুৰংগ। এই সুৰংগ নিৰ্মাণ হৈ উঠিলে অসমেই নহয়, উত্তৰ-পূবৰ আন আন ৰাজ্যসমূহেও লাভ কৰিব গুৰুত্বপূৰ্ণ সুবিধা। ইয়াৰ ফলত মালবাহী পৰিবহণৰ কাৰ্যক্ষমতা বৃদ্ধি পাব, ল'জিষ্টিক খৰচ হ্ৰাস পাব। সুৰংগটোৱে উত্তৰ-পূবৰ সংযোগৰ ক্ষেত্ৰত এক বৃহৎ উত্থান ঘটাব। ৩৩.৭ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই সুৰংগটো নিৰ্মাণত ব্যয় হ'ব ১৮, ৬৬২ কোটি টকা। মুখ্যমন্ত্ৰী ড° শৰ্মাই সামাজিক মাধ্যমত এই সন্দৰ্ভত প্ৰকাশ কৰিছে এক ভিডিঅ'। কাৰ্যতঃ এই সুৰংগই নতুন অসম গঢ়াৰ যাত্ৰাত এক মাইলৰ খুঁটি হ'ব বুলিও তেওঁ উল্লেখ কৰিছে।

# ৰাজ্যিক বিজেপিৰ ক'লা দিৱস

খাটিবলগা হৈছিল, সংবাদ মাধ্যমৰ ওপৰত কেতবোৰ বাধা-নিষেধ (চেঞ্চৰশ্বিপ) আৰোপ কৰা হৈছিল আৰু চৰকাৰৰ বিৰুদ্ধে মাত মতাৰ পৰিৱেশ নোহোৱা কৰা হৈছিল । দেশত জৰুৰীকালীন অৱস্থা বলবৎ কৰা সেই কংগ্ৰেছ দলৰ নেতাসকলে এতিয়া সংবিধান ৰক্ষা কৰাৰ কথা কয় । মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয়, "বাবাচাহেবে লিখা সংবিধানখন ৰক্ষা কৰাৰ বাবে জৰুৰীকালীন সময়ছোৱাত অটল বিহাৰী বাজপেয়ী, লালকৃষ্ণ আদৱানি আদিকে ধৰি নেতাসকল কাৰাগাৰলৈ গৈছিল। কংগ্ৰেছৰ ভিতৰত থকা কোনো নেতা-কৰ্মীয়ে জৰুৰীকালীন অৱস্থাৰ বিৰুদ্ধে সেই সময়ত মাত মতা নাছিল বা কাৰাগাৰলৈ যোৱা নাছিল।" মুখ্যমন্ত্ৰীয়ে লগতে কয় যে, কংগ্ৰেছ দলৰ নেতা ৰাহুল গান্ধীয়ে বিভিন্ন স্থানত ৰঙা ৰঙৰ যিখন সংবিধান প্ৰদৰ্শন কৰি আহিছে সেই সংবিধানখনৰ এটা সংখ্যা উৎসুকতাবশতঃ তেওঁ ক্ৰয় কৰিছিল । মুখ্যমন্ত্ৰীয়ে সদৰী কৰে যে তাত থকা পাতনিতেই দেশৰ সংবিধানখন যে প্ৰয়াত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে জৰুৰীকালীন অৱস্থা ঘোষণা কৰি 'হত্যা' কৰিছিল সেই কথা উল্লেখ আছে। নিজ ভাষণত মুখ্যমন্ত্ৰীয়ে কয়, দেশৰ যুৱপ্ৰজন্মই জৰুৰীকালীন অৱস্থাৰ সেই সময়ছোৱাৰ কথাবোৰ জনাৰ প্ৰয়োজন আছে । কংগ্ৰেছৰ শাসনকালৰ সেই কলা অধ্যায়ৰ কথা আজিৰ প্ৰজন্মই ভালদৰে অৱগত নহ'লে একাংশ লোকে ইতিহাস বিকৃত কৰি সমাজখনক বিপথে পৰিচালনা কৰাৰ সম্ভাৱনা আছে । কংগ্ৰেছ দলে ভাৰতীয় জনতা পাৰ্টী আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সংবিধান হত্যাকাৰী বুলি অভিযোগ তোলে। কিন্তু প্ৰধানমন্ত্ৰী মোদীয়ে সেই সময়ছোৱাত সংবিধান ৰক্ষা কৰাৰ বাবে আন্দোলনত নামি পৰিছিল। এই অনুষ্ঠানে সংবিধান ৰক্ষা কৰাৰ বাবে সদায় সচেষ্ট হৈ থকাৰ বাবে সকলোকে অনুপ্ৰাণিত কৰিব। জৰুৰীকালীন সময়ছোৱাৰ লোকতন্ত্ৰ সেনানীসকলক অসম চৰকাৰে সন্মান আগবঢ়াই আহিছে আৰু এনে সন্মানৰ পৰা বঞ্চিত হোৱাসকলকো চৰকাৰে উপযুক্ত সন্মান প্ৰদান কৰিব - বুলি মুখ্যমন্ত্ৰীয়ে লগতে কয় । মুখ্যমন্ত্ৰী ড° শৰ্মাই এই অনুষ্ঠানতে সদ্যসমাপ্ত বিধানসভাৰ নিৰ্বাচনত বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটে লাভ কৰা অভূতপূৰ্ব বিজয় উপলক্ষে বৰ্ধিত কলেৱৰৰ 'অসমীয়া বিজেপি বাৰ্তা'ৰ বিশেষ সংখ্যাটি আৰু নৱজ্যোতি পাটোৱাৰীৰ 'অসমৰ কংগ্ৰেছ চৰকাৰসমূহ আৰু ৰাজ্যখনৰ প্ৰতি হোৱা অন্যায়' শীৰ্ষক গ্ৰন্থখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে। একেটা অনুষ্ঠানতে লোকতন্ত্ৰ সেনানীসকলকো সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ক'লা দিৱসৰ এই দিনটোক সুঁৱৰি ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই কিদৰে কংগ্ৰেছে ক্ষমতা কুক্ষিগত কৰি ৰাখিবলৈ জৰুৰীকালীন অৱস্থা ঘোষণা কৰিছিল তাক উল্লেখ কৰে। সভাপতি শইকীয়াৰ মন্তব্য- স্বৈৰাচাৰী শাসকৰ নিকৃষ্টতম নজিৰ আছিল ইন্দিৰা গান্ধী। দেশৰ ৰাইজে দিয়া ৰায়ক ভেঙুচালি কৰি কেনেদৰে ক্ষমতাৰ টিঙৰ পৰা ননমা চূড়ান্ত স্বৈৰাচাৰী আচৰণ কৰিব পাৰে, তাৰ ভয়ংকৰ নজিৰ হ'ল এই জৰুৰীকালীন অৱস্থা। এই অনুষ্ঠানত ৰাজ্যিক বিজেপিৰ প্ৰভাৰী হৰিশ দ্বিবেদী, বিধানসভাৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাস, মন্ত্ৰী নীলিমা দেৱী, কৌশিক ৰায় আৰু সাংসদ বিজুলী কলিতা মেধিৰ লগতে বহুকেইজন দলীয় নেতা উপস্থিত থাকে। অনুষ্ঠানৰ লগত সংগতি ৰাখি ৰাজ্যিক বিজেপিয়ে জৰুৰীকালীন অৱস্থাৰ বিভিন্ন দিশ তুলি ধৰি এক প্ৰদৰ্শনীৰো আয়োজন কৰে।

# কিংবদন্তি ক্ৰিকেটাৰ

মাৰাথন ২৫ আৰ্হিত গুৱাহাটীত আন্তঃৰাষ্ট্ৰীয় মাৰাথন আয়োজন কৰাৰ প্ৰস্তাৱ আগবঢ়ায়। গাভাস্কাৰৰ এই প্ৰস্তাৱ ৰাজ্য চৰকাৰে নিশ্চিতভাৱে পৰীক্ষা কৰিব বুলি অৱগত কৰে মুখ্যমন্ত্ৰীয়ে। এই আলোচনাকালতে মুখ্যমন্ত্ৰী ড° শৰ্মাই সুনীল গাভাস্কাৰৰ মাষ্টাৰ ক্লাছ ইনিংছবোৰ চোৱাৰ শৈশৱৰ স্মৃতি তেওঁৰ ওচৰত উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে ভাৰতীয় ক্ৰিকেটৰ গৌৰৱময় মুহূৰ্তসমূহৰ বিষয়ে গাভাস্কাৰৰ সৈতে বাৰ্তালাপ কৰাৰ লগতে ৰেড বল, হোৱাইট বলৰ ফৰ্মেটসমূহৰ মাজেৰে ক্ৰিকেটলৈ অহা বিৱৰ্তন আৰু অসমত ক্ৰিকেটক অধিক শক্তিশালী কৰাৰ ৰোডমেপৰ বিষয়ে আলোচনা কৰে। এই আলোচনাকালত ৰাজ্যৰ উদীয়মান ক্ৰিকেট খেলুৱৈসকলক উন্নত প্ৰশিক্ষণ আৰু বিশ্বমানৰ সা-সুবিধা প্ৰদান কৰাৰ ওপৰতো দুয়ো পক্ষৰ মাজত ফলপ্ৰসূ আলোচনা হয়।

# অম্বুবাচীৰ নিবৃত্তিৰ

সমাগম ঘটিছে। দেৱালয়ত ৭, ৯৬, ৭৭৭ গৰাকী ভক্ত-দৰ্শনাৰ্থীৰ আগমন ঘটাৰ লগতে ৭৫গৰাকী বিদেশী ভক্তৰো সমাগম হয়। এইবাৰ কামাখ্যা মন্দিৰত অম্বুবাচীৰ সময়ত প্ৰায় আঠ লাখ ভক্তৰ সমাগম হোৱা বুলি জানিবলৈ দিয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। সামাজিক মাধ্যমত এটা পোষ্ট শ্বেয়াৰ কৰি তেওঁ কয়, পৱিত্ৰ অম্বুবাচী মহাযোগৰ সমাপ্তিৰ পাছত আজি পুনৰ ভক্তসকলৰ বাবে মুকলি হৈছে মা কামাখ্যা ধামৰ পৱিত্ৰ দ্বাৰ। নীলাচল পাহাৰত আজি পুনৰ অনুভূত হ'ল আদ্যাশক্তিৰ অপাৰ মহিমা আৰু আধ্যাত্মিক শক্তিৰ স্পন্দন। এই শুভ আৰু মংগলময় ক্ষণত মা কামাখ্যাৰ শ্ৰীচৰণত সকলোৰে সুখ-শান্তি, সমৃদ্ধি আৰু কল্যাণৰ বাবে আন্তৰিক প্ৰাৰ্থনা জনালোঁ। ই অসমৰ ঐতিহ্যত নাৰী শক্তিৰ কেন্দ্ৰীয়তাৰ প্ৰতীক। যোৱা কেইদিনত ৮ লাখৰো অধিক ভক্তই এই অনন্য উদযাপনত অংশগ্ৰহণ কৰে ।

# বিশিষ্ট সংগীত শিল্পী

নাছিল, সেই সময়তে তেওঁ পাশ্চাত্য সংগীতৰ প্ৰতি আকৰ্ষিত হোৱাই নহয়, তাক যুৱপ্ৰজন্মৰ মাজত জনপ্ৰিয় কৰিবলৈ যথেষ্ট চেষ্টা কৰিছিল। ৯০ৰ দশকত গুৱাহাটী মহানগৰীৰ ৰ'ক সংগীতৰ মুভমেণ্টক প্ৰাৰম্ভিক আকাৰ প্ৰদান কৰা ঐতিহাসিক ফ্ৰেন্জ নামৰ ব্ৰেণ্ডটোৰ সদস্য ৰূপে অন্তৰ্ভুক্ত হৈ পাশ্চাত্য সংগীতৰ সাধনাত তেওঁ ব্ৰতী হৈ পৰিছিল। এক অৰ্থত ক'বলৈ হ'লে অসমৰ পাশ্চাত্য সংগীতৰ ধাৰাটোক আগুৱাই নিয়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল শিল্পীগৰাকীয়ে। ১৯৯১ চনত তেওঁ জড়িত হৈ পৰে ক্ৰিষ্টেল পেলেছ বেণ্ডৰ সৈতে। ফ্ৰেণ্ডছ ফ'ৰেভাৰ শীৰ্ষক এলবাম এটিৰে তেওঁ অসমৰ ৰ'ক সংগীতৰ ক্ষেত্ৰখনত এক বিশেষ জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছিল। পৰৱৰ্তী সময়ত মুন উইণ্ড নামৰ ৰ'ক বেণ্ডটোৰ সৈতে তেওঁ জড়িত হৈ বিভিন্ন অনুষ্ঠান পৰিৱেশন কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ নিজাকৈ 'এছকেডি'( SKD) নামেৰে এটা নতুন মিউজিক বেণ্ড গঠন কৰে। এই বেণ্ডটোৱে শেহতীয়াকৈ গুৱাহাটী মহানগৰীত বিভিন্ন লাইভ পাৰ্ফৰ্মেঞ্চৰ বাবে এক জনপ্ৰিয় বেণ্ডলৈ পৰিণত হৈছিল। মৃত্যুৰ সময়ত শিল্পীগৰাকীয়ে পত্নী বনীতা দত্ত, দুই জীয়ৰী ক্ৰমে মৰিচা দত্ত আৰু শ্ৰেয়া দত্তসহ অনেক আত্মীয়-স্বজনক এৰি যায়।

# সিদ্ধাৰ্থ শৰ্মাৰ জামিন

আবেদনৰ শুনানি গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াই। ইয়াৰ পাছত সিদ্ধাৰ্থৰ জামিন আবেদনৰ শুনানি গ্ৰহণ কৰে ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ আদালতে। শুনানি গ্ৰহণ কৰি মিতালী ঠাকুৰীয়াৰ আদালতে সিদ্ধাৰ্থৰ জামিনৰ ৰায়দান ২৬জুনৰ লৈ সংৰক্ষণ ৰাখে আৰু সেই অনুসৰিয়ে ২৬জুনৰ দিনটোতে সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদনৰ ৰায় দিয়ে। উক্ত ৰায় যোগে ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ আদালতে সিদ্ধাৰ্থ শৰ্মাৰ জামিন নাকচ কৰাৰ লগতে সিদ্ধাৰ্থ শৰ্মাই দাখিল কৰা আন চাৰিখন আবেদনৰ সন্দৰ্ভত শুনানি অহা ২৩ জুলাইত সম্পন্ন হ'ব বুলি স্পষ্ট কৰে। উল্লেখ্য যে এই চাৰিখন আবেদনৰ ভিতৰত সিদ্ধাৰ্থ শৰ্মাই ফাষ্টট্ৰেক আদালতক প্ৰত্যাহ্বান জনাই দাখিল কৰা মহাবীৰ একুৰা খুলি দিয়াৰ বাবে আবেদন আৰু তেওঁৰ বেংক একাউন্ট খুলি দিয়াৰ আবেদনো আছে। উল্লেখ্য যে ফাষ্টট্ৰেক আদালতত দুদিন পূৰ্বে জুবিন হত্যা গোচৰত সাক্ষ্য দানৰ বাবে সাক্ষীক মতাৰ সময়ত আদালতত সিদ্ধাৰ্থ শৰ্মাই জুবিন গাৰ্গৰ আৰ্জনৰ ৩২ লাখৰো আধিক টকা আত্মসাৎ কৰাৰ তথ্য পোহৰলৈ আহিছিল। মূলতঃ বিহু কমিটীসমূহৰ পৰা অহা ধনৰাশিৰ অধিকাংশই জুবিনৰ মেনেজাৰ হিচাপে কাম কৰি অহা সিদ্ধাৰ্থই আত্মসাৎ কৰাৰ কথা ফাষ্টট্ৰেক আদালতত সাক্ষ্যদান তথা শুনানিৰ সময়ত পোহৰলৈ অহাৰ কথা সদৰী কৰিছিল চৰকাৰী লোক অধিবক্তা জিয়াউল কামাৰে।

## ENGLISH NEWS SECTION

# Governor visits Kamakhya Temple following Ambubachi



Guwahati,RB News: Assam Governor Shri Lakshman Prasad Acharya, accompanied by the First Lady, Smt. Kumud Devi, visited the Kamakhya Temple following the reopening of the temple after the annual Ambubachi. The Governor offered prayers to Maa Kamakhya and sought blessings for the peace, prosperity and development of the people of Assam. Visiting the Shakti Shrine at the decent of 'Nivritti', which marks the culmination of the Ambubachi Mela, one of the greatest spiritual gatherings of the country, Shri Acharya this morning offered his puja at the sacred Shakti Peeth and prayed for the welfare and well-being of all sections of society. He also expressed his appreciation to the lakhs of devotees and pilgrims from across India and abroad whose participation contributed to the successful holding of the annual spiritual event. Governor Shri Acharya commended the dedicated efforts of the Temple Management Committee, district administration, police personnel, sanitation workers, volunteers and various stakeholders for their coordinated and tireless service in ensuring the smooth, safe and peaceful conduct of the Ambubachi mela. He observed that the festival once again reflected India's enduring spiritual traditions and the spirit of harmony and coexistence that binds people from diverse backgrounds. Shri Acharya also conveyed his gratitude to the devotees for maintaining discipline, cleanliness and harmony throughout the festival period.

# Governor reviews welfare-oriented schemes and programmes undertaken by Lok Bhavan

Guwahati,RB News: Assam Governor Shri Lakshman Prasad Acharya reviewed the various welfare-oriented schemes and initiatives being implemented by Lok Bhavan, Assam for the benefit of the people across the State at a meeting held at Lok Bhavan. The Governor reviewed the progress, impact and effectiveness of the schemes and outreach programmes undertaken by Lok Bhavan. He stated that, inspired by the people-centric governance model and the vision of Antyodaya championed by Prime Minister Shri Narendra Modi, these initiatives have been conceived to bring about meaningful and measurable improvements in the lives of the beneficiaries. Stressing the need for efficient, transparent and timely implementation of all schemes, he underscored the importance of ensuring that governance remains responsive to the needs of the people. Detailed discussions were held on the grassroots execution of the schemes, their reach among intended beneficiaries and measures to further enhance their effectiveness. The Governor directed the officials to strengthen public awareness, improve accessibility and ensure robust monitoring of all initiatives. Shri Acharya also underscored the importance of adopting a more citizen-centric approach in the implementation of welfare programmes and called upon the officers and staff to work with dedication and commitment towards advancing the objectives of inclusive development and public welfare. Commissioner and Secretary to the Governor, Shri S. S. Meenakshi Sundaram, along with officers and staff of Lok Bhavan, attended the meeting.



# Senegal beat Iraq 5-0 in FIFA WC 2026



RB News: Senegal defeated Iraq 5-0 in their Group I match at the FIFA World Cup 2026 on Saturday (IST), registering their first victory of the tournament. Senegal also became the first African team to score five goals in a FIFA World Cup match. With this victory, Senegal have kept their hopes alive to qualify for the tournament's knockout stage.

# Two-time champions Uruguay knocked out of FIFA World Cup 2026



RB News: Two-time champions Uruguay have been knocked out of FIFA World Cup 2026 after suffering a 0-1 defeat against Spain in their last Group H match. Spain midfielder Álex Baena scored the only goal of the match in the 42nd minute. Uruguay finished third on the points table with two points. Spain and debutants Cape Verde advanced from the group.

# Ireland beat India by 34 runs



RB News: Ireland defeated India by 34 runs in the first T20I in Belfast on Friday. The defeat handed Ireland their first-ever international victory over India and gave the hosts a 1-0 lead in the two-match series. Ireland had lost each of their previous 11 international matches against India. Ireland put up a total of 182/9 and dismissed India for 148 in 18.5 overs.

# India thrash Pakistan 7-1 in Men's FIH Pro League match



RB News: The Indian men's hockey team defeated Pakistan 7-1 in their FIH Pro League match at London's Lee Valley and Tennis Centre. After conceding an early goal, India stormed back through strikes from Sukhjeet Singh (20th), Harmanpreet Singh (26th), Hardik Singh (34th), Jugraj Singh (35th), Abhishek (41st), Raj Kumar Pal (44th) and Dilpreet Singh (54th) to register an emphatic victory at the Lee Valley Hockey and Tennis Centre here on Friday. Midfielder Hardik was adjudged the Player of the Match.

# বিষন্নতা


তুলিকা কলিতা



আৱেগ অনুভূতিবোৰ
পাৰি জানোঁ ধৰি বান্ধি ৰাখিব
বিষন্নতাৰ সেঁতুৰে।
পাৰিব জানোঁ কোনোবাই
ঢাকি ৰাখিব হাঁহিৰে
সেই চকু পানীৰ
বৰষুণ জাকক।
ৰাতিৰ আকাশখন
পোহৰ হ'ব পাৰিব জানোঁ
জোনাকৰ পোহৰ অবিহনে
ভঙা হৃদয়খনত ৰং সানিব
পাৰিব জানোঁ কোনোবাই
মনৰ শান্তিৰ অবিহনে।

# অন্য এক পৃথিৱী

অন্নপূৰ্ণা দেৱী



জীৱনৰ প্ৰতি স্তৰতে
সপোন বোৰ আজুৰি
আনি, পৰিশ্ৰমী শৰীৰত
ঘামৰ তেজ বিৰিঙাই
জীপাল কৰে সময়বোৰ
উমাল সপোন, ঠিকনা
বিচাৰি আৱেগ, সময়
সপোন বোৰ শৰীৰৰ টো
চিৰাল ফটা দিয়ে
সময়ে বাগৰ সলায়
স্বাভিমান বোৰ
অভিমান, অভিযোগলৈ
ৰূপান্তৰ হয়, সকলো একেই থাকে
বয়সৰ আচোৰত ক্লান্ত
দেহাটিৰ আস্ফালন বোৰ
নিলয়ৰ দেৱালত ঠেকা খায়
ধ্বনিত কৰে, উজাগৰি ৰাতিবোৰ
দীঘলীয়া হয়, তথাপিও
দিন আহে, ৰাতি যায়
দিন আহে, ক্ষণ নাহে
চিৰালফটা শৰীৰত
ধ্বনিত হয়, কেৱল
অন্য এক পৃথিৱীৰ সুখ।

# অসমীয়া মানুহৰ গামোচাখনৰ দৰেই চাহ একাপতো হৃদয়ৰ আবেগ জড়িত আছে



অনামিকা (সংগীতা) কলিতা, শুৱালকুছি

হয় "চাহ" এক আমেজ পনীয়া খাদ্য। খোৱা ব্যক্তি সকলে জানে ইয়াৰ মাদকতা!! ৰাতিপুৱা শুই উঠি একাপ " চাহ" খালে মন প্ৰাণ সজীৱ কৰি তোলে। বিশেষকৈ চাহ একাপ অসমীয়া মানুহৰ তাহানিৰ দিনৰ পৰাই এতিয়ালৈকে মন মগজুৰ অধিকাৰ কৰি আছে। অসমীয়া মানুহৰ ঘৰত আলহী অতিথি আহিলে প্ৰথম চাহকাপেৰে আপ্যায়ন কৰা হয়। কাজ-কৰ্ম, উৎসৱ, বিয়া-সবাহ আদিতো ভক্তপ্ৰাণ ৰাইজক প্ৰথমতে চাহকাপেৰে আৰম্ভণি সেৱা শুশ্ৰূষা কৰে। গতিকে চাহ আৰু অসমীয়া সমাজখনৰ এক নিবিড় সম্পৰ্ক আছে। এই চাহ অসমতে তৈয়াৰ হয়। সেই ফালৰ পৰা অসমীয়া হিচাপে গৌৰৱ অনুভৱ কৰিব পাৰি।

পৃথিৱীৰ সকলো দেশৰ ভিতৰত ভাৰতবৰ্ষই "চাহ" উৎপাদনত দ্বিতীয় স্থান লাভ কৰিছে। এই ক্ষেত্ৰত "ভাৰতবৰ্ষক" আমাৰ "অসম" ৰাজ্যত উৎপাদিত "চাহ" বিশেষ অৰিহনা যোগোই আহিছে। "চাহ" এবিধ এলকহল নথকা স্বাস্থ্যসন্মত গুণগত মানদণ্ডৰ এবিধ পনীয়া খাদ্য।

চাহগছ জোপোহা এটা জোখৰ ওখ কৰি ৰখা হয়। কলম নিদিলে ওখ, দীঘল গছ হয়। সেই কাৰণে কিছুমান নিয়মত ইয়াক ৰূপণ কৰে নিৰ্দিষ্ট জোখত ৰাখে। চাহ গছৰ গুৰিত পানী জমা হ'বলৈ নিদিয়ে, অকণমান এঢলীয়া কৰি দিয়ে। তেনেদৰে কৰিলেহে চাহ ভালদৰে ঠন ধৰি উঠে।

অসমৰ হাবিয়ে-বননিয়ে হৈ থকা এই চাহগছ প্ৰথমে অসমত আৱিষ্কাৰ কৰিছিল চাৰ্লচ আলেকজেণ্ডাৰ ব্ৰুচ নামৰ এজন ইংৰাজ সৈন্যই ১৮২৬চনত। তেওঁ এই গছৰ গুটি আৰু পুলি কলিকতাৰ 'ৰয়েল বটানিকেল গাৰ্ডেন'লৈ পঠাই দিছিল।

লৰ্ড উইলিয়াম বেণ্টিংক চাহৰ উৎপাদনৰ কাৰণে ভাৰতবৰ্ষৰ ঠাই বিচাৰি, অসম বাছি লৈছিল, তাৰ কাৰণে এখন কমিটি গঠন কৰিছিল। তেতিয়ালৈকে চীনৰ চাহপাতে পৃথিৱীৰ বজাৰ দখল কৰি আছিল। তেওঁলোকে অসমৰ মাটি চাহখেতিৰ বাবে অতি উপযুক্ত যেন দেখা পাই লগে লগে উজনি অসমত চাহৰ নাৰ্চাৰি আৰম্ভ কৰিলে। চীনৰ পৰাও গুটি আৰু পুলি আনি ১৮৩৬ চনত ব্ৰুচে অসমত চাহবাগান আৰম্ভ কৰিছিল। তাৰ পিচত ১৮৩৮ চনত চাহপাত তৈয়াৰ কৰি ইংলেণ্ডলৈ পঠাইছিল। ১৯১১চনত যোৰহাটৰ টোকোলাই চাহ গৱেষণা কেন্দ্ৰলৈ স্থানান্তৰ কৰা হৈছিল।

পৃথিৱীৰ ভিতৰতে চাহ ৰপ্তনিৰ দেশ হিচাপে ভাৰত এক সুকীয়া স্থান আছে, কিন্তু অসমৰ ৰাজ্যৰ যথেষ্ট অৱদান আছে। চাহপাত আকৌ বেলেগ বেলেগ মানদণ্ডৰ আছে। এটি কলি দুটি পাতৰ পৰা চাহপাত খিনি অতি উত্তম।

# দেউৰী হস্ততাঁত বস্ত্ৰই GI Tag

কৰিছে। অসম বহু জনগোষ্ঠীৰ মিলনভূমি, আৰু প্ৰতিটো জনগোষ্ঠীৰ নিজস্ব সংস্কৃতি, ভাষা আৰু শিল্পকলাই ৰাজ্যখনক অনন্য কৰি তুলিছে। দেউৰী হস্ততাঁত বস্ত্ৰৰ এই স্বীকৃতিয়ে অসমৰ জনজাতীয় ঐতিহ্যৰ গুৰুত্বক নতুনকৈ প্ৰতিষ্ঠা কৰিছে আৰু বিশ্ববাসীৰ আগত অসমৰ সাংস্কৃতিক সম্পদৰ এক উজ্জ্বল দৃষ্টান্ত দাঙি ধৰিছে।

এই সাফল্যৰ বাবে দেউৰী সমাজৰ জ্যেষ্ঠসকল, শিপিনীসকল, গৱেষকসকল, সমাজ সংগঠনসমূহ আৰু সংশ্লিষ্ট সকলো ব্যক্তিয়ে বিশেষ অভিনন্দনৰ যোগ্য। তেওঁলোকৰ নিষ্ঠা, ত্যাগ আৰু অক্লান্ত প্ৰচেষ্টাৰ ফলতেই এই ঐতিহাসিক সাফল্য সম্ভৱ হৈছে। এতিয়া আমাৰ সকলোৰে দায়িত্ব হ'ল এই ঐতিহ্যক সংৰক্ষণ কৰা, ইয়াৰ গুণগত মান অক্ষুণ্ণ ৰখা আৰু আগন্তুক প্ৰজন্মৰ মাজত ইয়াৰ প্ৰতি গৌৰৱবোধ জগাই তোলা।

সেয়েহে, দেউৰী হস্ততাঁত বস্ত্ৰই GI Tag লাভ কৰাটো কেৱল এটা স্বীকৃতি নহয়; ই দেউৰী জনগোষ্ঠীৰ অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ মাজত এক শক্তিশালী সেতু বন্ধন। এই সাফল্যই দেউৰী সমাজক বিশ্বৰ সাংস্কৃতিক মানচিত্ৰত অধিক দৃশ্যমান কৰি তুলিব আৰু নিজৰ ঐতিহ্যৰ প্ৰতি গৌৰৱ কৰাৰ এক নতুন অধ্যায়ৰ সূচনা কৰিব। দেউৰী সমাজৰ বাবে এই দিনটো চিৰস্মৰণীয় হৈ থাকিব।

ৰঙিলী বাৰ্ত্তা কৰ্তৃক ড° উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড° উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286

# নিচাযুক্ত দ্ৰব্যৰ অপব্যৱহাৰ, অবৈধ সৰবৰাহ আৰু কিছু আইনগত দিশ

দ্বীপেন বৰুৱা



বৰ্তমান সমাজত নিচাযুক্ত দ্ৰব্যৰ অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহ এক জটিল সামাজিক, স্বাস্থ্যজনিত আৰু আইন-শৃংখলাজনিত সমস্যা হিচাপে পৰিগণিত হৈছে। বিশেষকৈ যুৱ প্ৰজন্ম এতিয়া বিভিন্ন ধৰণৰ নিচাযুক্ত দ্ৰব্যৰ প্ৰতি আকৰ্ষিত হৈছে। কোৱা হয় যে যুৱ সমাজ কোনো এক জাতিৰ ভৱিষ্যৎ। কিন্তু বৰ্তমান সময়ত নিচাযুক্ত দ্ৰব্যৰ অপব্যৱহাৰে যুৱ সমাজক গভীৰভাৱে প্ৰভাৱিত কৰিছে। বিদ্যালয়, মহাবিদ্যালয় আৰু আনকি বিশ্ববিদ্যালয়ৰ বহু ছাত্ৰ-ছাত্ৰী বিভিন্ন কাৰণত এনে নিচাযুক্ত দ্ৰব্য সেৱনৰ প্ৰতি আকৰ্ষিত হৈছে। এই সমস্যাই কেৱল এজন ব্যক্তিৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ ওপৰতেই প্ৰভাৱ নেপেলায়; বৰঞ্চ পৰিয়াল, সমাজ আৰু দেশৰ অৰ্থনৈতিক আৰু সামাজিক বিকাশকো বাধাগ্ৰস্ত কৰিছে। নিচাযুক্ত দ্ৰব্যৰ অপব্যৱহাৰৰ লগে-লগে ইয়াৰ অবৈধ সৰবৰাহ এক বৃহৎ আন্তঃৰাষ্ট্ৰীয় অপৰাধমূলক ব্যৱসায়লৈ ৰূপান্তৰিত হৈছে। এই ব্যৱসায়ৰ লগত সংগঠিত অপৰাধ চক্ৰ, সন্ত্ৰাসবাদী গোট আৰু বিভিন্ন অসাধু ব্যৱসায়ী জড়িত থকাৰ উদাহৰণ পোৱা যায়। ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চল বিশেষকৈ অসম ৰাজ্যখন ভৌগোলিক অৱস্থানৰ বাবে বেছিকৈ এই সমস্যাৰ সন্মুখীন হৈছে। সেয়েহে এইক্ষেত্ৰত সচেতনতা বৃদ্ধি আৰু কঠোৰ আইনগত ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজনীয়তা দিনক দিনে বৃদ্ধি পাইছে।

সাধাৰণভাৱে ক'বলৈ গ'লে যিবোৰ দ্ৰব্য সেৱন কৰিলে মানুহৰ মগজু, স্নায়ুতন্ত্ৰ বা মানসিক অৱস্থাৰ ওপৰত প্ৰভাৱ পৰে আৰু সাময়িক আনন্দ, উত্তেজনা, শিথিলতা বা ভ্ৰমাত্মক অনুভূতি সৃষ্টি কৰে, সেইবোৰক নিচাযুক্ত দ্ৰব্য বা মাদক দ্ৰব্য বোলা হয়। এই দ্ৰব্যসমূহৰ নিয়মিত বা অধিক পৰিমাণৰ ব্যৱহাৰে ব্যক্তিৰ মাজত আসক্তি সৃষ্টি কৰিব পাৰে। এনে নিচাযুক্ত দ্ৰব্য বিভিন্ন প্ৰকাৰৰ হ'ব পাৰে, যেনেঃ প্ৰাকৃতিক দ্ৰব্য- আফিং, গাঞ্জা, ভাং আদি, অৰ্ধ-সংশ্লেষিত দ্ৰব্য- হেৰ'ইন, মৰফিন আদি, সংশ্লেষিত বা কৃত্ৰিম দ্ৰব্য- মেথাম্ফেটামিন (Methamphetamine), এলএছডি (Lysergic Acid Diethylamide), এমডিএমএ(3, 4-Methylenedioxymethamphetamine) আদি আৰু চিকিৎসাত ব্যৱহৃত কিন্তু অপব্যৱহৃত দ্ৰব্য- কফ ছিৰাপ, নিদ্ৰাজনক ঔষধ, ট্ৰেংকুইলাইজাৰ আদি। প্ৰথম অৱস্থাত কৌতূহল বা আনন্দ লাভৰ উদ্দেশ্যে এই দ্ৰব্যসমূহ ব্যৱহাৰ কৰিলেও পিছলৈ বহু লোক ইয়াৰ ওপৰত নিৰ্ভৰশীল হৈ পৰে। ফলত ব্যক্তি জীৱনত বিভিন্ন ধৰণৰ সমস্যা দেখা দিয়ে।

অৱশ্যে নিচাযুক্ত দ্ৰব্যৰ অপব্যৱহাৰৰ আঁৰত বিভিন্ন কাৰণ জড়িত থাকে। ইয়াৰ ভিতৰত কুসংগ আৰু বন্ধুমহলৰ প্ৰভাৱ, কৌতূহল আৰু নতুন অভিজ্ঞতা লাভৰ ইচ্ছা, পৰিয়ালৰ অশান্তি বা অৱহেলা, মানসিক চাপ, হতাশা আৰু উদ্বেগ, নিবনুৱা সমস্যা আৰু ভৱিষ্যৎ সম্পৰ্কীয় অনিশ্চয়তা, সামাজিক মাধ্যম আৰু চলচিত্ৰৰ প্ৰভাৱ, নিচাযুক্ত দ্ৰব্যৰ সহজলভ্যতা আদিয়েই প্ৰধানকৈ জগৰীয়া। এই কাৰকসমূহে একো-একোজন ব্যক্তিক লাহে-লাহে আসক্তিৰ পথলৈ ঠেলি দিয়ে। ইয়াৰ ফলস্বৰূপে যুৱক-যুৱতীসকলৰ ওপৰত বিভিন্ন ক্ষতিকাৰক প্ৰভাৱ পৰে। যেনেঃ স্মৃতিশক্তি আৰু একাগ্ৰতা হ্ৰাস পায়, শিক্ষাগত ফলাফলৰ অৱনতি ঘটে, শাৰীৰিক স্বাস্থ্য নষ্ট হয়, মানসিক ৰোগ, উদ্বেগ আৰু হতাশা বৃদ্ধি পায়, অপৰাধমূলক কাৰ্যকলাপত জড়িত হোৱাৰ সম্ভাৱনা বৃদ্ধি পায়, আত্মহত্যাৰ প্ৰৱণতা বৃদ্ধি পাব পাৰে আৰু লগতে পৰিয়াল আৰু সামাজিক সম্পৰ্কও ক্ষতিগ্ৰস্ত হয়।

উত্তৰ-পূৰ্ব ভাৰতৰ এক গুৰুত্বপূৰ্ণ ৰাজ্য হৈছে অসম। ইয়াৰ ভৌগোলিক অৱস্থানৰ বাবে ই আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ ওচৰত অৱস্থিত আৰু বিভিন্ন যোগাযোগ পথৰ কেন্দ্ৰবিন্দু হিচাপে পৰিগণিত হৈছে। এই কাৰণেই অসম অবৈধ নিচাযুক্ত দ্ৰব্য সৰবৰাহকাৰী চক্ৰসমূহৰ বাবে এক গুৰুত্বপূৰ্ণ পথ হিচাপে ব্যৱহৃত হয়। উত্তৰ-পূৰ্বাঞ্চলৰ কাষতে থকা অঞ্চলসমূহ দক্ষিণ-পূৰ এছিয়াৰ কুখ্যাত সোণালী ত্ৰিভূজ (Golden Triangle) অঞ্চলৰ সৈতে সংযুক্ত। এই অঞ্চলত আফিং আৰু বিভিন্ন কৃত্ৰিম নিচাযুক্ত দ্ৰব্যৰ উৎপাদন দীৰ্ঘদিন ধৰি চলি আহিছে। ইয়াৰ একাংশ দ্ৰব্য বিভিন্ন পথেদি অসমত প্ৰৱেশ কৰে আৰু তাৰ পিছত দেশৰ আন আন ৰাজ্যলৈ সৰবৰাহ হয়। অসমত এই অবৈধ সৰবৰাহ সাধাৰণতে আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ উপৰিও স্থলপথ, ৰে'ল আৰু বিমান পৰিবহণ, গোপন নেটৱৰ্ক আৰু দালাল চক্ৰ আদিৰ জৰিয়তে হয়। অসম আৰক্ষী, আবকাৰী বিভাগ, সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগ, সীমান্ত সুৰক্ষা বাহিনী আৰু অন্যান্য আইন-প্ৰয়োগকাৰী সংস্থাই সময়ে-সময়ে বৃহৎ পৰিমাণৰ নিচাযুক্ত দ্ৰব্য জব্দ কৰি সৰবৰাহকাৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰি আহিছে যদিও সেয়াই যথেষ্ট নহয়। এইক্ষেত্ৰত জনসচেতনতা, শিক্ষানুষ্ঠানৰ ভূমিকা আৰু পৰিয়ালৰ সহযোগিতাও অত্যন্ত প্ৰয়োজনীয়।

কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে এখন সুস্থ আৰু নিচামুক্ত সমাজ গঢ়াৰ লক্ষ্যৰে বিভিন্ন সময়ত বহু গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰি আহিছে। এনে পদক্ষেপৰ অংশস্বৰূপে ভাৰত চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰণালয়ে চঞ্চলচঞ্চ চনৰ ৰপ্ত আগষ্টত নিচামুক্ত ভাৰত অভিযান(Nasha Mukt Bharat Abhiyaan) আৰম্ভ কৰে। এই অভিযানৰ মূল উদ্দেশ্য হৈছে সমাজৰ সকলো স্তৰৰ ব্যক্তি, বিশেষকৈ যুৱ সমাজৰ মাজত নিচাযুক্ত দ্ৰব্যৰ কুফল সম্পৰ্কে সচেতনতা সৃষ্টি কৰা আৰু নিচাসক্তিৰ বিৰুদ্ধে এক শক্তিশালী সামাজিক আন্দোলন গঢ়ি তোলা। ইয়াৰ জৰিয়তে বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় আৰু বিভিন্ন শৈক্ষিক প্ৰতিষ্ঠানত সজাগতামূলক সভা, আলোচনা চক্ৰ, শপত গ্ৰহণ অনুষ্ঠান, শোভাযাত্ৰা, বাটৰ নাট, চিত্ৰাংকন, বেৰ অংকন, ৰচনা প্ৰতিযোগিতা আদি আয়োজন কৰি আহিছে। এই কাৰ্যসূচীবোৰে শিক্ষাৰ্থীসকলৰ মাজত মাদকদ্ৰব্যৰ ভয়াবহ পৰিণতি সম্পৰ্কে জ্ঞান বৃদ্ধি কৰাত সহায় কৰিছে।

কেৱল সচেতনতা সৃষ্টিয়েই নহয়, এই অভিযানৰ জৰিয়তে নিচাগ্ৰস্ত ব্যক্তিসকলক পৰামৰ্শ, চিকিৎসা আৰু পুনৰ্বাসনৰ সুবিধাও প্ৰদান কৰিছে। বিভিন্ন নিচামুক্তি কেন্দ্ৰ, চিকিৎসা প্ৰতিষ্ঠান আৰু পৰামৰ্শদাতা সংস্থাৰ সহায়ত নিচাসক্ত ব্যক্তিসকলক স্বাভাৱিক জীৱনলৈ উভতি অহাত সহায় কৰিছে। লগতে বিভিন্ন স্বেচ্ছাসেৱী সংগঠন, স্থানীয় প্ৰশাসন, আৰক্ষী বিভাগ, শিক্ষানুষ্ঠান, মহিলা গোট আৰু সমাজৰ বিশিষ্ট ব্যক্তিসকলক এই অভিযানৰ লগত সংযুক্ত কৰি এক গণ আন্দোলনৰ ৰূপ দিবলৈ চেষ্টা কৰা হৈছে। ইয়াৰ ফলত সমাজৰ বিভিন্ন স্তৰত সচেতনতা যথেষ্ট বৃদ্ধি পাইছে। **আগলৈ...**


## মেঘৰঞ্জনী



**কল্যাণী সিংহ,বামুণীমৈদাম, গুৱাহাটী**

ডাৱৰৰ মেঘৰ আঁৰে আঁৰে
মেঘৰঞ্জনীৰ কত যে ধেমালি;
শাওনৰ বৰষুণজাকৰ পৰশত
পুষ্পিত সদ্যযৌৱনা মেঘৰঞ্জনী।
দেহৰ কোমলতা লাস্যময়ীহৈ
ধৰাত অপৰূপাহৈ নিগৰি
কত পুৰুষৰ যৌৱনৰ
উচ্ছল তৰঙ্গৰ লহৰ তুলি
প্ৰেমৰ বীজবোৰ পূৰঠ কৰি
নদীৰ স্ৰোত ধাৰাহৈ বোৱাই।।

## বেয়া পালোঁ



**আব্দুল হামিদ বৰুৱা,গড়গাঁও মিলনপুৰ**

বেয়া পালোঁ বৰুৱা
মহানিমৰ গছজোপা
কিয়নো কাটিলা ।
ভাল পালোঁ ভনীয়েৰাৰ
নিকাহ লৈ মাতিলা ।
আপোন-পৰ আহিব-যাব
বোৱাৰীয়ে ঘৰখন
দিবহি পুৰাই ।
পিছে কোৱাচোন বৰুৱা ?
মহানিমৰ গছজোপা
সহজতে পাবানে ঘূৰাই ।